# হিচাপকৰণৰ তত্ত্বমূলক ভিত্তি
## Theory Base of Accounting

2

আগৰ অধ্যায়সমূহত আলোচনা কৰি অহাৰ দৰে হিচাপকৰণ বিশেষকৈ বিত্তীয় লেনদেন আৰু ঘটনা নথিভুক্ত, শ্ৰেণীভুক্ত আৰু সংক্ষিপ্তকৰণ তথা ইয়াৰ ফলাফলসমূহৰ ব্যাখ্যাৰ লগত জড়িত। হিচাপকৰণ তথ্যৰ বিভিন্ন ব্যৱহাৰকাৰী যেনে-মালিক পৰিচালক, কৰ্মচাৰী বিনিয়োগকাৰী পাওনাদাৰ পণ্য আৰু সেৱাৰ যোগানকাৰ, কৰ প্ৰাধিকাৰী আদিক বিত্তীয় অৱস্থাৰ বিষয়ে তথ্যৰ যোগান ধৰা আৰু প্ৰযোজনীয় সিদ্ধান্ত গ্ৰহণত সহায় কৰাটোৱে হিচাপকৰণৰ উদ্দেশ্য। উদাহৰণস্বৰূপে বিনিয়োগ-কাৰীসকলে কোনো এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ব্যৱসায়টোৱে অৰ্জন কৰা লাভ বা লোকচান আন এটা একেধৰণৰ ব্যৱসায়ে অৰ্জন কৰা লাভ-লোকচানৰ লগত তুলনা কৰিব বিচাৰে। বেংক তথা ঋণ দিওঁতাসকলে ইয়াৰ উপৰিও ব্যৱসায়টোৰ তৰলতাৰ (Liquidity) বিষয়ে জানিব বিচাৰে। এই সকলো ব্যক্তিয়ে হিচাপকৰণৰ সঠিক, ব্যৱহাৰযোগ্য আৰু নিৰ্ভৰযোগ্য তথ্যৰ বিষয়ে আশা কৰে।

বাহ্যিক আৰু আভ্যন্তৰীণ ব্যৱহাৰকাৰীসকলৰ বাবে হিচাপকৰণৰ তথ্যসমূহ অৰ্থপূৰ্ণ কৰাৰ বাবে এই তথ্যবোৰ বিশ্বাসযোগ্য তথা তুলনামূলক হোৱাটো

### শিকাৰ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে তলৰ বিষয়সমূহ জানিব পাৰিবা ঃ

- হিচাপকৰণৰ তত্ত্বমূলক ভিত্তিৰ প্ৰয়োজনীয়তা চিনাক্তকৰণ ঃ
- সাধাৰণভাৱে গ্ৰহণযোগ্য হিচাপকৰণৰ নীতি (Generally accepted Accounting principle) (GAAP)ৰ প্ৰকৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।
- হিচাপৰ মূল ধাৰণাসমূহৰ অৰ্থ আৰু উদ্দেশ্যৰ বিষয়ে বৰ্ণনা কৰিব পাৰিবা।
- হিচাপৰ মানক'ৰ প্ৰয়োজনীয়তা (Accounting Standards)
- সামগ্ৰী আৰু সেৱা কৰ (Goods and Service Tax (GST) (এক দেশ এক কৰ ব্যৱস্থা)
- আই. এফ. আৰ. এছ. (IFRS)
- ইনষ্টিটিউট অব চাৰ্টাড একাউণ্টেট অব ইণ্ডিয়াই (Institute of Chartered Accountant of India) বিলিকৰা হিচাপকৰণৰ মানক উল্লেখ কৰিব পাৰিবা।
- হিচাপকৰণৰ পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰিবা আৰু হিচাপকৰণৰ বিভিন্ন ভিত্তিসমূহৰ বিষয়ে বৰ্ণনা কৰিবা।

প্ৰয়োজনীয়। বিভিন্ন ব্যৱসায়ৰ মাজত তুলনা কৰিবলৈ তথ্যসমূহ তুলনাযোগ্য হ'ব লাগে অৰ্থাৎ আন ব্যৱসায়ৰ তুলনাত এই ব্যৱসায়টোৱে কিদৰে সফলতা অৰ্জন কৰিছে। ইয়াৰ উপৰিও দুটা বিভিন্ন সময়ত ব্যৱসায়টোৰ সফলতা অৰ্থাৎ যোৱা বছৰৰ তুলনাত এইবছৰৰ সফলতাসমূহ তুলনা কৰিব পাৰি। এইটো সম্ভৱ যদিহে বিত্তীয় প্ৰতিবেদনে (Financial statement) যোগান ধৰা তথ্যসমূহ হিচাপ কৰণৰ কৌশল, নীতি আৰু পদ্ধতিৰ ওপৰত ভিত্তি কৰা হয়। এনে ধৰণৰ সামঞ্জস্য ঘটনা আৰু লেনদেনসমূহ চিনাক্ত কৰি ইয়াৰ হিচাপ কৰণ, সেইবোৰ নিৰূপণ কৰা, হিচাপৰ বহীত সেইবোৰৰ যোগাযোগ ৰখা, ফলাফলসমূহ সংক্ষিপ্ত কৰা আৰু সেইবোৰ মনযোগী দলসমূহক সৰবৰাহ কৰা আদি প্ৰক্ৰিয়াসমূহত থকা দৰকাৰ। ইয়াৰ বাবে হিচাপকৰণৰ প্ৰকৃত তত্ত্বভিত্তি থকা দৰকাৰ।

হিচাপকৰণৰ তত্ত্বৰ প্ৰয়োজনীয়তাসমূহ অতিৰঞ্জিত বুলি ক'ব নোৱাৰি কিয়নো কোনো বিষয়েই সুস্থ তত্ত্ব নোহোৱাকৈ বিকাশ হোৱা নাই। হিচাপকৰণৰ তত্ত্বসমূহ সময়ৰ লগে লগে বিকাশ হোৱা কিছুমান নীতি, ধাৰণা, নিয়ম আৰু নিৰ্দেশনাৰে গঠিত হৈছে আৰু হিচাপকৰণৰ প্ৰক্ৰিয়াত সমতা আৰু সামঞ্জস্যতা আৰু হিচাপকৰণৰ উপযোগিতাসমূহ ইয়াৰ বিভিন্ন ব্যৱহাৰকাৰী সকলৰ মাজত বৃদ্ধি কৰিবলৈ বিচৰা হৈছে। ইয়াৰ উপৰিও, দেশৰ হিচাপকৰণৰ নীতিৰ মান নিৰ্দ্ধাৰণ কৰা ব্যৱস্থাপক সমিতি (Regulatory Body) 'ইন্‌ষ্টিটিউটত অব চাৰ্টাড একাউন্টেট অব ইণ্ডিয়াই' হিচাপকৰণৰ প্ৰক্ৰিয়াত সমতা আনিবলৈ আৰু সকলোৱে গ্ৰহণ কৰিব পৰাকৈ হিচাপকৰণৰ মান (Accounting standard) বিলি কৰিছে। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

## 2.1 সাধাৰণভাৱে গ্ৰহণযোগ্য হিচাপকৰণৰ নীতি [Generally Accepted Accounting Principles, (GAAP)]

হিচাপকৰণৰ নথি সমূহৰ মাজত সামঞ্জস্যতা আৰু ঐকতা বজাই ৰাখিবলৈ কিছুমান নিয়ম বা নীতিৰ বিকাশ ঘটোৱা হৈছে যিবোৰ হিচাপ লিখন বৃত্তিত সাধাৰণভাবে গ্ৰহণ কৰা হৈছে। এইবোৰ বিভিন্ন নামত যেনে নীতি, ধাৰণা, প্ৰথা, স্বতঃসিদ্ধ বিষয় (Postulates) অনুমান আৰু পৰিৱৰ্তনশীল নীতি (Modifying Principle) বুলি জনা যায়।

'নীতি' শব্দটো AICPA এ এইদৰে বৰ্ণনা কৰিছে, 'এটা সাধাৰণ আইন বা নিয়ম যিটো কাৰ্য প্ৰদৰ্শক নিষ্পত্তিৰ কাৰণ অথবা ব্যৱহাৰৰ ভিত্তি হিচাপে গ্ৰহণ অথবা ব্যক্ত কৰে।' সাধাৰণৰ অৰ্থ হৈছে 'সাধাৰণ নীতিত' অৰ্থাৎ বহুব্যক্তিৰ সংশ্লিষ্ট বা অৱস্থা অথবা সুবিধা। গতিকে সাধাৰণভাৱে

গ্ৰহণযোগ্য হিচাপ লিখনৰ নীতিসমূহে ব্যৱসায়িক লেনদেনসমূহ নথিভুক্ত আৰু বৰ্ণনা কৰাৰ নিয়ম বা নীতি নিৰ্দেশনা হিচাপে ব্যক্ত কৰে, লগতে বিত্তীয় প্ৰতিবেদনসমূহ তৈয়াৰ আৰু উপস্থাপনৰ সমতা ৰক্ষা কৰে। উদাহৰণস্বৰূপে, লেনদেনসমূহ নথিভুক্ত কৰাৰ জৰুৰী নিয়ম এটা হৈছে যে ইয়াক অতীত মূল্যত (Historical) লিখি ৰখা যিবোৰ মূল্য আদায় দিয়াৰ সময়ত পোৱা নগদপ্ৰাপ্তি (Cash receipt) আদি নথিৰ পৰা প্ৰমাণ কৰিব পৰা যায়। এই লেনদেনসমূহ নথিভুক্ত কৰাৰ উদ্দেশ্য সাধন কৰে আৰু হিচাপকৰণৰ বিবৃতিসমূহৰ বিভিন্ন ব্যৱহাৰকাৰী সকলৰ গ্ৰহণযোগ্য কৰি তোলে।

সাধাৰণভাৱে গ্ৰহণযোগ্য হিচাপ কৰণৰ নীতিসমূহ অতীত অভিজ্ঞতা, প্ৰচলিত ৰীতি, ব্যক্তিগত তথা বৃত্তিধাৰী ব্যক্তিৰ বিবৃতি আৰু চৰকাৰী এজেন্সী সমূহৰ নিয়ম (Regulation) আদিৰ দীৰ্ঘ অভিজ্ঞতাৰ পৰা বিকাশ ঘটিছে আৰু এইবোৰ হিচাপ কৰণৰ পেচাদাৰী ব্যক্তিসকলে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰিছে। সেইদৰে হিচাপ কৰণৰ নীতি সমূহ সদায়ে স্থিৰ হৈ নাথাকে। এইবোৰ সৰ্বসাধাৰণৰ প্ৰয়োজন তথা সামাজিক অৰ্থনৈতিক আৰু বিধিগত পৰিৱেশ সাপেক্ষে ইয়াৰ সংশোধন ঘটোৱা হয়।

এই নীতিবোৰ 'ধাৰণা' আৰু 'প্ৰথা' হিচাবেও উল্লেখ কৰিব পাৰি। 'ধাৰণা' শব্দটোৱে প্ৰয়োজনীয় অনুমান আৰু ধাৰণাৰ কথা উল্লেখ কৰে যিবোৰে হিচাপকৰণৰ ব্যৱহাৰত অত্যাৱশ্যক আৰু 'প্ৰথা' শব্দটোৱে হিচাপ লিখনৰ বিবৃতি তৈয়াৰ কৰোঁতে প্ৰচলিত ৰীতি অথবা দস্তুৰ হিচাপে পথ প্ৰদৰ্শকৰ কাম কৰে। এইবোৰ ব্যৱহাৰৰ সময়ত কোনোবা এজন লিখকে এই নিয়ম বা নীতি নিৰ্দেশনাবোৰ ধাৰণা হিচাপে বৰ্ণনা কৰিছে আকৌ আন এজনে ইয়াক স্বতঃসিদ্ধ বিষয় বা প্ৰথা হিচাপে বৰ্ণনা কৰিছে। এইবোৰে মাজে সময়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সন্দেহৰ সৃষ্টি কৰে। গতিকে এই শব্দবোৰৰ অৰ্থৰ ওপৰত গুৰুত্ব দিয়াতকৈ ইয়াৰ বাস্তৱিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়াটো অধিক প্ৰয়োজন। বাস্তৱিক ব্যৱহাৰৰ দিশৰ পৰা চাবলৈ গ'লে নীতি, স্বতঃসিদ্ধ বিষয়, প্ৰথা, পৰিৱৰ্তনশীল নীতি, অনুমান ইত্যাদি শব্দবোৰ ইটো সিটোৰ সলনি ব্যৱহাৰ হোৱা দেখা যায় আৰু এইবোৰ হিচাপকৰণৰ মূল ধাৰণা হিচাপে এই অধ্যায়ত উল্লেখ কৰা হৈছে।

## 2.2. হিচাপকৰণৰ মূল ধাৰণাসমূহ (Basic Accounting Concepts)

হিচাপকৰণৰ মূল ধাৰণাবোৰ বিত্তীয় হিচাপকৰণৰ তত্ত্ব আৰু প্ৰয়োগৰ মৌলিক আৰু মূল ধাৰণা হিচাপে বিবেচনা কৰা হয় আৰু বৃত্তিগত হিচাপ লিখনৰ দ্বাৰা বিকাশ ঘটাই সকলোবোৰ হিচাপকৰণৰ কাৰ্যত কাৰ্যকৰী নিয়ম হিচাপে ব্যৱহাৰ কৰা হয়। তলৰ তালিকাত গুৰুত্বপূৰ্ণ ধাৰণাসমূহ দেখুওৱা হৈছে।

- ব্যৱসায়ৰ অস্তিত্ব
- মূদ্ৰাৰ দ্বাৰা পৰিমাপ
- ব্যৱসায় চলি থকা
- হিচাপকৰণৰ সময়/কাল
- ব্যয় মূল্য
- দ্বৈত দিশ
- স্বীকৃত আয় (আদায়ীকৃত)
- সমতুল্য
- পূৰ্ণ প্ৰকাশ
- সামঞ্জস্য
- ৰক্ষণশীলতা(সতৰ্কতা)
- বাস্তৱ ধৰ্মিতা
- উদ্দেশ্যগত

### 2.2.1 *ব্যৱসায়ৰ অস্তিত্বৰ ধাৰণা (Business Entity Concept)*

ব্যৱসায়ৰ অস্তিত্বৰ ধাৰণাই ব্যৱসায়ৰ ইয়াৰ মালিকৰ পৰা এটা পৃথক আৰু স্বতন্ত্ৰ অস্তিত্ব থকা বুলি গণ্য কৰা হয়। অৰ্থাৎ হিচাপকৰণৰ লিখনৰ দিশৰ পৰা চাবলৈ গলে ব্যৱসায় আৰু মালিকৰ দুটা পৃথক অস্তিত্ব আছে। এই কথাটো মনত ৰাখি যেতিয়া এজন ব্যক্তিয়ে কিছু টকা ব্যৱসায়লৈ মূলধন হিচাপে আনে, হিচাপকৰণৰ দিশৰ পৰা ইয়াক মালিকৰ ওচৰত ব্যৱসায়টোৰ এটা দেনা (Liability) হিচাবে গণ্য কৰা হয়। ইয়াত এটা পৃথক সত্বাই (মালিক) আন এটা পৃথক সত্বাক (ব্যৱসায়) ধন দিয়া বুলি ধৰি লোৱা হয়। ঠিক একেদৰে মালিকজনে যেতিয়া ব্যক্তিগত খৰচৰ বাবে ব্যৱসায়ৰ পৰা ধন আহৰণ (Drawing) কৰে তেতিয়া ইয়াক মূলধনৰ হ্ৰাস হোৱা বুলি ধৰা হয় আৰু সেইদৰে ব্যৱসায়ৰ দেনা হ্ৰাস হয়।

হিচাপকৰণৰ নথিবোৰ বিভিন্ন হিচাপৰ বহীত ব্যৱসায়ৰ দৃষ্টিভঙ্গীৰ পৰাহে লিখি ৰখা হয়, মালিকৰ দৃষ্টিৰ পৰা নহয়। মালিকৰ ব্যক্তিগত সম্পত্তি আৰু দেনাবোৰ ব্যৱসায়ৰ সম্পত্তি আৰু দেনা লিখোতে বিবেচনা কৰা নহয়। ঠিক একেদৰে মালিকৰ ব্যক্তিগত লেনদেনবোৰ ব্যৱসায়ৰ বহীত লিখি ৰখা নহয় যদিহে এইবোৰে ব্যৱসায়ৰ পুঁজিৰ অন্তঃপ্ৰবাহ (Inflow) বা বহিঃপ্ৰবাহ (Outflow)ৰ লগত জড়িত নহয়।

### 2.2.2 *মুদ্ৰাৰ মাধ্যমত প্ৰকাশৰ ধাৰণা (Money Measurement Concepts)*

মুদ্ৰৰ মাধ্যমত প্ৰকাশৰ ধাৰণা মতে ব্যৱসায়ৰ যিবিলাক লেনদেন বা ঘটনা যেনে পণ্য বিক্ৰী, ব্যয় পৰিশোধ বা আয় প্ৰাপ্তি আদিক মুদ্ৰাৰ মাধ্যমত প্ৰকাশ কৰিব পাৰি তেনে লেনদেবোৰকহে ব্যৱসায়ৰ বহীত লিপিবদ্ধ কৰা হয়। যিবোৰ লেনদেন ধনৰ মাধ্যমত প্ৰকাশ কৰিব নোৱাৰি, উদাহৰণ স্বৰূপে,

পৰিচালকৰ নিযুক্তি, মানৱ সম্পদৰ সামৰ্থ, গৱেষণা বিভাগৰ সৃষ্টি বা সংগঠনটোৰ ভাবমূৰ্তি আদি ধনৰ মাধ্যমত কৰিব নোৱাৰা ঘটনা বা লেনদেনসমূহ ব্যৱসায়ৰ হিচাপৰ বহীত কোনো স্থান নাই।

মুদ্ৰাৰ মাধ্যমত প্ৰকাশৰ ধাৰণাৰ আন এটা গুৰুত্বপূৰ্ণ দিশটো হ'ল যে লেনদেনসমূহ শাৰীৰিক গোটত (Unit) লিখি ৰখা নহয়, ইয়াক কেৱল আৰ্থিক (Monetary) গোটতহে লিপিবদ্ধ কৰা হয়। উদাহৰণস্বৰূপে, এটা সংগঠনৰ এটা নিৰ্দিষ্ট দিনত ২ একৰৰ এটুকুৰা মাটিত এটা কাৰখানা আছে, ১০ ৰূম থকা এটা কাৰ্যালয়ৰ ঘৰ আছে, ৩০ যোৰা কাৰ্যালয়ৰ চকী-টেবুল আছে, বেংকত ৫ লাখ টকা, ২০ টন কেঁচা সামগ্ৰী, ১০০ বাকচ সম্পূৰ্ণকৈ তৈয়াৰী কৰা সামগ্ৰী আছে। এই সম্পত্তিবোৰ বিভিন্ন এককত প্ৰকাশ কৰিছে, কিন্তু এইবোৰ ব্যৱসায়টোৰ মুঠ সম্পত্তিৰ বিষয়ে কোনো ধৰণৰ অৰ্থপূৰ্ণ তথ্যৰ সম্ভেদ দিব নোৱাৰে। গতিকে এইবোৰ হিচাপকৰণৰ উদ্দেশ্যত টকা বা পইচাৰ মূল্যত দেখুওৱা হয়। এনে অৱস্থাত কাৰখানাৰ মাটিৰ মূল্য ২ কোটি টকা, কাৰ্যালয় ভৱন ১ কোটি টকা, কম্পিউটাৰ ১৫ লাখ টকা, কাৰ্যালয়ৰ চকী টেবুল ২ লাখ টকা, কেচা সামগ্ৰী ৩ লাখ টকা আৰু সম্পূৰ্ণ সামগ্ৰী ৪ লাখ টকা। গতিকে ব্যৱসায়টোৰ মুঠ সম্পত্তিৰ মূল্য ৩ কোটি ২৪ লাখ টকা। গতিকে যেতিয়াই লেনদেনবোৰ সংঘটিত হয় তেতিয়াই ইয়াক মুদ্ৰাৰ মাধ্যমত লিখা হয়।

মুদ্ৰাৰ মাধ্যমত প্ৰকাশৰ অনুমাণ সীমাবদ্ধতাৰ পৰা মুক্ত নহয়। মূল্যৰ সলনি হোৱাৰ লগে লগে, সময়ৰ লগত টকাৰ মূল্য একে হৈ নাথাকে। মূল্য বৃদ্ধিৰ লগে লগে টকাৰ মূল্য আগতে যিমান আছিল দহ বছৰৰ পিছত একে হৈ থকা নাই। গতিকে, উদ্বৃত্ত পত্ৰত যেতিয়া বিভিন্ন সময়ত কিনা বিভিন্ন সম্পত্তিৰ মূল্যবোৰ যোগ কৰো, ধৰা হওক ১৯৯৫ চনত কিনা ২ কোটি টকা মূল্যৰ ভৱন, ২০০৫ চনত কিনা ১ কোটি টকাৰ যন্ত্ৰপাতি আদি বাৰে মিহলি মূল্যবোৰ যোগ কৰো, যদিও এইবোৰক সংঘবদ্ধ কৰিব নোৱাৰে। যিহেতু টকাৰ মূল্যৰ তাৰতম্য হিচাপৰ বহীত প্ৰতিফলন কৰিব নোৱাৰে, হিচাপকৰণৰ তথ্যসমূহে ব্যৱসায়টোৰ কাৰ্যৰ প্ৰকৃত আৰু সঠিক (True and Fair) প্ৰতিচ্ছবি প্ৰকাশ কৰিব নোৱাৰে।

### *2.2.3 ব্যৱসায়ৰ চলি থকাৰ ধাৰণা (Going Concern Concept)*

চলি থকা ব্যৱসায়ৰ ধাৰণা অনুসৰি ব্যৱসায়টোৱে এক দীঘলীয়া সময় অথাৎ ভৱিষ্যতেও অনন্তকাললৈ ইয়াৰ কাৰ্যসমূহ চলাই থাকিব বুলি ধৰি লোৱা হয়। হিচাপকৰণৰ এই আৱশ্যকীয় ধাৰণাৰ ওপৰত ভিত্তি কৰিয়েই সম্পত্তিৰ মূল্য উদ্বৃত্ত পত্ৰত দেখুউৱা হয়।

সম্পত্তিক 'সেৱাৰ গোট' হিচাপে বৰ্ণনা কৰিব পাৰে। উদাহৰণস্বৰূপে, যেতিয়া আমি ৫০০০০

টকাৰে এটা ব্যক্তিগত কম্পিউটাৰ কিনো, আমি আচলতে কম্পিউটাৰৰ সেৱাহে (Service) ক্রয় কৰিছো যাৰ পৰা আনুমানিক ৫ বছৰ ধৰি সেৱা গ্রহণ কৰি থাকিব পাৰিম। এইটো শুদ্ধ নহ'ব যদি আমি এই সমগ্র ৫০০০০ টকা সম্পত্তিটো ক্রয় কৰা বছৰতে ৰাজহৰ (Revenue) বিপৰীতে ধার্য কৰো। ইয়াৰ পৰিৱর্তে যিমান বছৰ সম্পত্তিটো ব্যৱহাৰ কৰা হ'ব সিমান বছৰ ৰাজহৰ বিপৰীতে ইয়াক ধার্য কৰি থাকিব। চলি থকা ব্যৱসায়ৰ ধাৰণা সম্পত্তিটোৰ যিটো পৰিমাণৰ মূল্য যি বছৰত ব্যৱহাৰ হয় সেই বছৰৰ ৰাজহৰ বিপৰীতে ধার্য কৰিব আৰু বাকী পৰিমাণখিনি সম্পত্তিটোৰ জীৱনকালৰ অৱশিষ্ট বছৰলৈ কঢ়িয়াই লৈ যাব। গতিকে আমি প্রতি বছৰে ১০০০০ টকাকৈ ৫ বছৰলৈ লাভ-ক্ষতি (Profit and Loss) হিচাপত ধার্য কৰিব পাৰো। যদি চলি থকাৰ অনুমান নাথাকে তেতিয়া যিটো বছৰত সম্পত্তিটো ক্রয় কৰা হৈছিল অর্থাৎ সমগ্র ক্রয় মূল্য (বর্তমানৰ উদাহৰণটোত ৫০০০০ টকা) সেই বছৰতে ৰাজহৰ বিপৰীতে ধার্য কৰিব লাগিব।

### *2.2.4 হিচাপকৰণৰ সময়কালৰ ধাৰণা (Accounting period Concept)*

হিচাপকৰণৰ সময়কালে সময়ৰ ব্যৱধানৰ কথা উল্লেখ কৰে যাৰ অন্তত এটা ব্যৱসায়িক প্রতিস্থানৰ বিত্তীয় বিবৃতিবোৰ তৈয়াৰ কৰি ব্যৱসায়টোৱে অর্জন কৰা লাভ বা লোকচানৰ বিষয়ে আৰু বছৰৰ অন্তত সম্পত্তি আৰু দেনাৰ স্থিতিসমূহ জানিব পাৰে। এই তথ্যসমূহ বিভিন্ন সময়ৰ অন্তত বিভিন্ন ব্যৱহাৰকাৰী সকলে বিভিন্ন উদ্দেশ্যত জানিব বিচাৰে আৰু নির্দ্দিষ্ট সময়ৰ মূৰে মূৰে বিভিন্ন ধৰণৰ সিদ্ধান্ত গ্রহণ কৰা হয় যাৰ বাবে ব্যৱসায়ৰ বিত্তীয় অৱস্থা জানিবলৈ অনন্ত কাললৈ আশা কৰি থাকিব নোৱাৰে। ব্যৱসায়ৰ বিত্তীয় বিবৃতিবোৰ এটা নির্দ্দিষ্ট সময়ৰ ব্যৱধানত, যথাসম্ভৱ এটা বছৰ মূৰে মূৰে প্রস্তুত কৰা হয় যাতে বিভিন্ন ব্যৱহাৰকাৰীক সময় মতে লাগতীয়াল তথ্যসমূহ যোগান ধৰিব পাৰি। সময়ৰ এই ব্যৱধানক হিচাপকৰণৰ সময়কাল বোলা হয়।

১৯৫৬ চনৰ কোম্পানী আইন আৰু আয়কৰ আইনে ব্যৱসায়ৰ বিত্তীয় প্রতিবেদনসমূহ প্রতি বছৰে তৈয়াৰ হোৱাটো বিচাৰে। কিছুমান পৰিস্থিতিত আন্তঃকালীন (Interim) বিত্তীয় বিবৃতি প্রস্তুত কৰাটো প্রয়োজনীয় হৈ পৰে। উদাহৰণ স্বৰূপে, অংশীদাৰৰ অৱসৰৰ সময়ত, হিচাপকৰণৰ সময় বাৰ মাহৰ কাল পৰা বেলেগ হ'ব পাৰে। ইয়াৰ বাহিৰে যিবোৰ কোম্পানীৰ অংশ ষ্টক এক্সচেঞ্জত তালিকাভুক্ত কৰিছে তেওঁলোকে প্রতি তিনিমাহৰ ব্যৱধানত তিনি মহীয়া (Quarterly) ফলাফল প্রকাশ কৰিব লাগে।

**কি বুজিলা চোৱা-I**

*শুদ্ধ উত্তৰটো বাচি উলিওৱা*

১) হিচাপকৰণৰ কোনটো মূল ধাৰণা অনুসৰি ব্যৱসায়ৰ জীৱনকালৰ বিত্তীয় বিবৃতি প্ৰস্তুত কৰে ঃ
   ক) শীলতা
   খ) সমতুল্য
   গ) হিচাপকৰণৰ সময়কাল
   ঘ) ওপৰৰ এটাও নহয়

২) যেতিয়া দুটা পৃথক ব্যৱসায়িক প্ৰতিষ্ঠানৰ তথ্যসমূহ একেধৰণে তৈয়াৰ আৰু উপস্থাপন কৰা হয়, তেতিয়া তথ্যসমূহে প্ৰৰ্দশিত কৰা বৈশিষ্ট্য হ'ল ঃ
   ক) সত্যাৰ্পিত
   খ) প্ৰাসঙ্গিকতা
   গ) নিৰ্ভৰযোগ্যতা
   ঘ) ওপৰৰ এটাও নহয়

৩) কোনটো ধাৰণা অনুসৰি এটা ব্যৱসায় প্ৰতিষ্ঠান ভৱিষ্যতে কেতিয়াও বিক্ৰী বা অৱসায়ন কৰা নহয় ঃ
   ক) ব্যৱসায় চলি থকা
   খ) ব্যৱসায়ৰ অস্তিত্ব
   গ) মুদ্ৰাৰ একক
   ঘ) ওপৰৰ এটাও নহয়

৪) হিচাপকৰণৰ তথ্যসমূহ সিদ্ধান্ত গ্ৰহণৰ বাবে উপযোগী হোৱাৰ বাবে থাকিব লগীয়া প্ৰাথমিক গুণ ঃ
   ক) প্ৰাসঙ্গিকতা আৰু পক্ষপাতিত্বৰ পৰা মুক্ত
   খ) বিশ্বাসযোগ্য আৰু তুলনাযোগ্য
   গ) তুলনাযোগ্য আৰু সামঞ্জস্য
   ঘ) ওপৰৰ এটাও নহয়

### 2.2.5 *ব্যয় বা মূল্যৰ ধাৰণা (Cost Concept)*

ব্যয়ৰ ধাৰণা অনুসৰি হিচাপৰ বহীত নথিভুক্ত কৰা সকলোবোৰ সম্পদ ক্ৰয় দামত লিপিবদ্ধ কৰা হ'ব, আধিগ্ৰহণ কৰা মূল্য, পৰিবহণ, সংস্থাপন আৰু সম্পদক য'ত ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ

ব্যয় অন্তৰ্ভুক্ত কৰিব। ধৰা হওঁক, 2005 চনৰ জুনত শিবা এণ্টাৰপ্ৰাইজে 50 লাখ টকা মূল্যৰ এটা পুৰণা যন্ত্ৰপাতি ক্ৰয় কৰিছিল, যিটোৰে ব্যৱসায়টোৰ চাবোনৰ গুড়া তৈয়াৰ কৰে। যন্ত্ৰটো কাৰখানালৈ পৰিবহন কৰোতে 10000 টকা ব্যয় কৰে। ইয়াৰ বাহিৰে যন্ত্ৰটো ব্যৱহাৰযোগ্য অৱস্থালৈ আনোতে 15000 টকা মেৰামতিৰ বাবে আৰু 25000 টকা স্থাপনৰ নামত ব্যয় কৰে। গোটেইবোৰ ব্যয় যোগ কৰি হিচাপৰ বহীত যন্ত্ৰপাতিৰ নামত মুঠ 50,50,000 টকা লিখা হ'ব।

ব্যয়ৰ ধাৰণাটো কিছু পৰিমাণে ঐতিহাসিক চৰিত্ৰৰ, যিটো ক্ৰয় কৰা দিনত পৰিশোধ কৰা হয় আৰু ই বছৰৰ পিছত বছৰ ধৰি সলনি নহয়। উদাহৰণ স্বৰূপে যদি ব্যৱসায়টো 2.5 কোটি টকাত এটা ভৱন ক্ৰয় কৰে, তেতিয়া এই ক্ৰয় দামটো ভৱিষ্যতৰ বছৰবোৰতো একেই থাকিব, যদিও ইয়াৰ বজাৰ মূল্যৰ সলনি হব পাৰে। ক্ৰয়ৰ দলিলৰ পৰা অধিগ্ৰহণ মূল্য সহজে প্ৰমাণ কৰাৰ উদ্দেশ্যটো ঐতিহাসিক মূল্য অৱলম্বন কৰাৰ ফলত সঠিক হৈছে। আনহাতে বজাৰ মূল্য সিমান নিৰ্ভৰযোগ্য নহয় কিয়নো সম্পদৰ মূল্য সময়ে সময়ে পৰিৱৰ্তন হৈ থাকে যাৰ ফলত দুটা সময়ৰ ব্যৱধানৰ তুলনামূলক অধ্যয়ন জটিল হৈ পৰে।

যিয়েই নহওক, ঐতিহাসিক মূল্যৰ প্ৰয়োজনীয় সিদ্ধান্ত এটা হ'ল যে ই ব্যৱসায়ৰ প্ৰকৃত মূল্য নেদেখুৱায় আৰু ই গুপ্ত লাভ দেখুৱাব পাৰে। মূল্য বৃদ্ধিৰ সময়ত, বজাৰ মূল্য বা ক্ৰয় মূল্য যিয়েই নহওক সম্পত্তিবোৰ হিচাপৰ বহীত দেখুৱাতকৈ অধিক মূল্যত সলাব পাৰি যিটো গুপ্ত লাভ অৰ্জনত সহায় হয়।

### 2.2.6 *দ্বৈত দিশৰ ধাৰণা (Dual Aspect Concept)*

দ্বৈত দিশ হিচাপ কৰণৰ নীতিৰ মূল ভেটি। ইয়াক হিচাপৰ বহীত ব্যৱসায়ৰ লেনদেনসমূহ নথিভুক্ত কৰাৰ সময়ত ভিত্তি হিচাবে গ্ৰহণ কৰা হয়। এই ধাৰাণাটোৱে প্ৰতিটো লেনদেনৰ দুটা দিশৰ প্ৰভাৱৰ কথা সুচায় আৰু সেইদৰে ইয়াক দুটা স্থানত লিখি ৰখা হয়। আনকথাত লেনদেনসমূহ নথিভুক্ত কৰোতে অতি কমেও দুটা হিচাপ জড়িত হৈ থাকিব। ইয়াক আমি তলত দিয়া উদাহৰণেৰে ব্যাখ্যা কৰিব পাৰো। ৰামে 50,00,000 টকাৰেএটা ব্যৱসায় আৰম্ভ কৰিলে। ৰামে টকা অনাৰ বাবে ব্যৱসায়ৰ সম্পত্তি (নগদ) 50,00,000 টকা বৃদ্ধি হ'ব। একে সময়তে মালিকৰ মূলধনো একে সমান মূল্যৰে বৃদ্ধি হ'ব। ইয়াৰ পৰা আমি গম পালো যে এই লেনদেনৰ ফলত নগদ টকা আৰু মূলধন এই দুটা হিচাপত প্ৰভাৱ পেলাইছে।

আন এটা উদাহৰণৰ পৰা ইয়াক আমি স্পষ্টভাৱে বুজিব পাৰিম। ধৰা হওক এটা ব্যৱসায়ে

1000000 টকা মূল্যৰ সামগ্ৰী ক্ৰয় কৰিলে। ই এফালে এটা সম্পত্তিৰ (মজুত সামগ্ৰী) বৃদ্ধি কৰিলে আনফালে আন এটা সম্পত্তিৰ (নগদ) হ্ৰাস হ'ল। ঠিক একদেৰে যদি ব্যৱসায়টোৱে 300000 টকা মূল্যৰ এটা যন্ত্ৰপাতি বাকীত ক্ৰয় কৰে, তেতিয়া এহাতে ই সম্পত্তিৰ (যন্ত্ৰপাতি) বৃদ্ধি কৰিব আনহাতে একে সময়তে ই দেনাৰো (পাওনাদাৰ) বৃদ্ধি কৰিব। এনেধৰণৰ দ্বৈত (Dual) প্ৰভাব সকলোধৰণৰ ব্যৱসায়িক লেনদেনৰ ক্ষেত্ৰতে প্ৰযোজ্য হয় আৰু সেইবাবে ইয়াক দ্বৈত দিশৰ নীতি বুলি জনা যায়।

দ্বৈত দিশৰ নীতিক মৌলিক হিচাপকৰণৰ সমীকৰণ হিচাপে সৰ্বসাধাৰণে ব্যৱহাৰ কৰে ইয়াক তলত দেখুওৱা হ'ল ঃ

**সম্পত্তি = দেনা + মূলধন**

Assets = Liabilities + Capital

আনহাতে ব্যৱসায়ৰ সম্পত্তিৰ পৰিমাণ সদায়েই গৰাকীৰ আৰু বাহিৰা পাওনাদাৰৰ দাবীৰ সমান সেই কথাটো হিচাপকৰণৰ সমীকৰণৰ দ্বাৰা প্ৰমাণ কৰা হয়। ব্যৱসায়টোৰ গৰাকীৰ এই বা মালিকৰস্বত্ব দাবীক মূলধন (Owner's equity বা পাওনাদাৰৰ অংশ) আৰু বাহিৰা পক্ষৰ দাবীক পাওনাদাৰ (Creditor's equity বা পাওনাদাৰৰ অংশ) বোলা হয়। প্ৰতিটো লেনদেনৰ দুটা দিশৰ প্ৰভাৱে এনেধৰণে পৰিৱৰ্তন আনে যে হিচাপকৰণৰ সমীকৰণৰ দুয়োটা পক্ষই সদায় সমান হৈয়ে থাকে।

সকলোবোৰ লেনদেনৰ দুটা দিশৰ প্ৰভাৱ ব্যৱসায়ৰ হিচাপৰ বহীসমূহত লিখি ৰাখিব লাগে। প্ৰকৃততে এই ধাৰণাটোৱে হিচাপ কৰণৰ 'দ্বি -প্ৰবিষ্টি পদ্ধতিৰ' (Double Entry System) মূল ধাৰণা বুলি ভবা হয় আৰু ইয়াৰ বিষয়ে তৃতীয় অধ্যায়ত বিতংভাৱে আলোচনা কৰা হৈছে।

### 2.2.7 আয় স্বীকৃতিৰ ধাৰণা (Revenue Recognition Concept)

আয়ৰ স্বীকৃতিৰ ধাৰণা অনুসৰি ব্যৱসায়িক লেনদেনৰ ফলত হোৱা আয় প্ৰাপ্তি হলে হিচাপৰ নথিপত্ৰত অৰ্ন্তভুক্ত কৰা হয়। এইখিনিতে আমাৰ মনত দুটা প্ৰশ্নৰ উদয় হয়, প্ৰথমটো হ'ল আয় আৰু দ্বিতীয়তে যেতিয়া ইয়াক প্ৰাপ্তি কৰা হয়। এতিয়া আমি প্ৰথম বিষয়টো আলোচনা কৰোহক। আয় হ'ল (১) ব্যৱসায় এটাই বিক্ৰী কৰা সামগ্ৰী বা সেৱা আৰু (২) ব্যৱসায়টোৰ সম্পদ আনে ব্যৱহাৰ কৰি অৰ্জন কৰা সূদ, অধিকাৰ শুল্ক (Royalty) আৰু লাভাংশ (Dividend) ৰ পৰা হোৱা

মুঠ নগদ প্ৰবাহ। দ্বিতীয়তে আয় প্ৰাপ্তি হ'ল বুলি ভবা হয় যেতিয়া ইয়াক বৈধভাৱে প্ৰাপ্তি কৰা হয় অৰ্থাৎ যিটো সময়ত সামগ্ৰী বিক্ৰী কৰা হয় বা সেৱা প্ৰদান কৰা হয়। সেইদৰে সামগ্ৰী বাকীত বিক্ৰী কৰাৰ দিনা আয় হোৱা বুলি বিবেচনা কৰা হয়, কিনোতাজনৰ পৰা নগদ ধন পোৱা দিনত নহয়। ভাড়া, দস্তুৰি, সুদ ইত্যাদি আয়সমূহ সময় ভিত্তিত স্বীকৃত দিয়া হয়। উদাহৰণ স্বৰূপে ২০০৫ চনৰ মাৰ্চ মাহৰ ভাড়া, যদিও ইয়াক ২০০৫ চনৰ এপ্ৰিল মাহত আদায় দিয়া হৈছে, তথাপি ইয়াক ২০০৫ চনৰ ৩১ মাৰ্চত অন্তপৰা বছৰটোৰ লাভ-লোকচান হিচাপত লোৱা হ'ব, কিন্তু ২০০৫ চনৰ এপ্ৰিল মাহত আৰম্ভ হোৱা বিত্তীয় বৰ্ষত নহয়। ঠিক একেদৰে ২০০৫ চনৰ এপ্ৰিল মাহৰ সুদ যদি ২০০৫ চনৰ মাৰ্চ মাহত প্ৰাপ্তি কৰা হয়, তেতিয়া ইয়াক ২০০৬ চনৰ ৩১ মাৰ্চত অন্ত পৰা বিত্তীয় বৰ্ষৰ লাভ-লোকচান হিচাপত লোৱা হ'ব।

আয়ৰ স্বীকৃত সাধাৰণ নিয়মখিনিত ইয়াৰ কেইটামান ব্যতিক্ৰম আছে। নিৰ্মাণ কাৰ্যৰ দৰে কিছুমান ঠিকা ব্যৱসায়ত যিবোৰ বেছি দীঘলীয়া, ধৰা হওক সম্পূৰ্ণ হওঁতে দুই-তিনি বছৰ সময় লাগে সম্পূৰ্ণ হওতে, এনেক্ষেত্ৰত নিৰ্দিষ্ট বছৰ এটাত সম্পূৰ্ণ হোৱা কামৰ অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰি অনুপাতিক ভিত্তিত আয়ৰ স্বীকৃত দিয়া হয়। ঠিক একেদৰে যেতিয়া ভাড়া-ক্ৰয় (Hire Purchase) পদ্ধতিত বিক্ৰী কৰা হয়, তেতিয়া কিস্তি পদ্ধতিত সংগ্ৰহ কৰা পৰিমাণখিনিকেই স্বীকৃত বুলি ধৰা হয়।

### *2.2.8 সমতুল্য ধাৰণা (Matching Concept)*

এটা নিৰ্দিষ্ট বছৰত হোৱা লাভ বা লোকচানৰ পৰিমাণ নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত জড়িত হৈ থাকে সেই বছৰটোত হোৱা আয়ৰ পৰা ব্যয়সমূহক বাদ দিয়া সমতুল্য ধাৰণাটোৱে এই বিষয়টোৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। এটা হিচাপ বৰ্ষত হোৱা ব্যয়সমূহ সেই বছৰটোত অৰ্জন কৰা আয়ৰ লগত সমকক্ষ হ'ব লাগে। অৰ্থাৎ ইয়াৰ পৰা আমি বুজিব পাৰো যে আয় অৰ্জন কৰিবলৈ হোৱা আয় আৰু ব্যয় সমূহ সেই একে হিচাপ বৰ্ষৰ হ'ব লাগে।

আগতে আলোচনা কৰি অহাৰ দৰে, যেতিয়া বিক্ৰী সম্পূৰ্ণ হয় বা সেৱা আগবঢ়োৱা হয়, তেতিয়া ৰাজহ স্বীকৃত হয় নগদ প্ৰাপ্তিৰ ওপৰত নহয়। একেদৰে, যেতিয়া এটা সম্পত্তি বা সেৱা ৰাজহ উৰ্পাজন কৰোতে ব্যৱহাৰ কৰা হয়, তেতিয়া ব্যয় স্বীকৃত হয়, নগদ আদায়ৰ ওপৰত নহয়। অৰ্থাৎ আমি এতিয়া জনিব পাৰো যে নগদ আদায় নকৰাকৈ আয় কৰিব পাৰো আৰু নগদ আদায় নিদিয়াকৈ ব্যয় কৰিব পাৰো। উদাহৰণ স্বৰূপে দৰমহা, ভাড়া, বীমা ব্যয় আদি ব্যয়সমূহ কেতিয়া

আদায় দিছে তাৰ ওপৰত নহয়, বৰঞ্চ কোনটো সময়ৰ লগত জড়িত আছে তাৰ ওপৰত নির্ণয় কৰি স্বীকৃতি দিয়া হয়। একেদৰে, স্থায়ী সম্পত্তিৰ অবক্ষয় (Depreciation) জাতীয় ব্যয়সমুহ সম্পত্তিটো ব্যৱহাৰ কৰি থকা সময়লৈকে ভাগ কৰি দিয়া হয়।

এতিয়া আমি বুজিবলৈ চেষ্টা কৰো কি দৰে সামগ্ৰীৰ ব্যয় (Cost of goods) বিক্ৰী ৰাজহৰ (Sales Revenue) লগত সমতুল্য হয়। এটা হিচাপ বৰ্ষৰ যেতিয়া লাভ বা ক্ষতি নিৰ্ণয় কৰা হয়, তেতিয়া আমি সেই বছৰটোত কৰা সামগ্ৰী উৎপাদন বা ক্ৰয়ৰ সম্পূৰ্ণ ব্যয় ল'ব নালাগে বৰঞ্চ যিমান টকাৰ সামগ্ৰী বিক্ৰী কৰা হ'ল, সেইখিনি সামগ্ৰীৰ মূল্যহে বিবেচনা কৰিব লাগে। ইয়াৰ কাৰণে বিক্ৰী নোহোৱা সামগ্ৰীৰ মূল্য ক্ৰয় বা উৎপাদন কৰা সামগ্ৰীৰ মূল্যৰ পৰা বিয়োগ কৰিব লাগে। তোমালোকে ইয়াৰ বিষয়ে 'বিত্তীয় বিবৃতি' অধ্যায়টোৰ পৰা অধিক জানিব পাৰিবা।

গতিকে সমতুল্য ধাৰণাৰ পৰা আমি এইটো বুজিব পাৰো যে এটা নিৰ্দিষ্ট হিচাপ বৰ্ষৰ লাভ-লোকচান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত সেই বছৰটোত অৰ্জন কৰা ৰাজহকহে স্বীকৃতি দিব, ইয়াক প্ৰাপ্তি কৰা বা নকৰাৰ ওপৰত নহয়, ঠিক একেদৰে সকলো ব্যয়ক পৰিশোধ কৰা বা নকৰাৰ ওপৰত স্বীকৃত নিদিয়ে, যদিহে ব্যয়সমূহ নিৰ্দিষ্ট বৰ্ষৰ লগত জড়িত নহয়।

### *2.2.9 পূৰ্ণ প্ৰকাশৰ ধাৰণা (Full Disclosure Concept)*

বিত্তীয় বিবৃতিয়ে (Financial statement) যোগান ধৰা তথ্যসমূহ বিভিন্ন ব্যৱহাৰকাৰী দল যেনে— বিনিয়োগকাৰী, ধাৰ দিওঁতা, যোগানকাৰী আৰু অন্যান্য ব্যক্তিসকলে বিভিন্ন ধৰণৰ বিত্তীয় সিদ্ধান্তসমূহ গ্ৰহণ কৰোতে ব্যৱহাৰ কৰে। সমষ্টিগত (Corporate) আকাৰৰ সংগঠনসমূহত, যিসকলে ব্যৱসায়টো পৰিচালনা কৰে আৰু যিসকল ব্যৱসায়টোৰ মালিক তাৰ মাজত এটা পাৰ্থক্য থাকে। বিত্তীয় বিবৃতি হ'ল বিভিন্ন ধৰণৰ আগ্ৰহী (Interested) ব্যক্তিসকলৰ মাজত যোগাযোগ স্থাপন কৰাৰ কেৱল আৰু একমাত্ৰ যোগসূত্ৰ। গতিকে এইটো এটা জৰুৰী বিষয় যে বিত্তীয় বিবৃতিসমূহে সম্পূৰ্ণ, শুদ্ধ আৰু অনুৰূপ তথ্য প্ৰকাশ কৰিব লাগে যাতে বিত্তীয় সিদ্ধান্তসমূহ গ্ৰহণ কৰোতে এইবোৰ প্ৰাসঙ্গিক হয়।

পূৰ্ণ প্ৰকাশৰ ধাৰণাই এটা ব্যৱসায়ৰ লগত জড়িত বিত্তীয় সফলতা সমূহৰ বাস্তৱ আৰু প্ৰাসঙ্গিক ঘটনা সমূহ বিত্তীয় বিবৃতিসমূহত টোকাৰ সৈতে সম্পূৰ্ণভাৱে প্ৰকাশ কৰাটো বিচাৰে। এইবোৰ তথ্যই ব্যৱহাৰকাৰীসকলক ব্যৱসায়টোৰ লাভৰ বিষয়ে তথা বিত্তীয় সুস্থতা নিৰ্দ্ধাৰণ কৰোতে আৰু তথ্যগত সিদ্ধান্তসমূহ গ্ৰহণ কৰোতে সহায় কৰে।

হিচাপকৰণৰ বাস্তৱ তথ্য সমূহ প্ৰকাশ নিশ্চিত কৰাৰ বাবে ভাৰতীয় কোম্পানী আইন ১৯৫৬ এ কোম্পানীসমূহৰ লাভ-ক্ষতি হিচাপ আৰু উদ্বৃত্ত পত্ৰ (Balance Sheet)ৰ বাবে আৰ্হি (Format) প্ৰস্তুত কৰি দিছে আৰু এইবোৰ প্ৰস্তুত কৰাৰ সময়ত আৰ্হিসমূহ অনুসৰণ কৰাটো বাধ্যতামূলক কৰি দিছে। SEBI ৰ নিচিনা নিয়ামক (Regulatory) অনুস্থানে ব্যৱসায়টোৰ কাম-কাজ আৰু শুদ্ধ আৰু সঠিক লাভৰ সম্পূৰ্ণ প্ৰকাশ কৰাটো বাধ্যতামূলক কৰি দিছে।

### *2.2.10 সামঞ্জস্য ধাৰণা (Consistency Concept)*

বিত্তীয় বিবৃতি সমূহে যোগান ধৰা হিচাপ কৰণৰ তথ্য সমূহৰ জৰিয়তে ব্যৱসায়ৰ কাৰ্যপন্থাৰ বিষয়ে সিদ্ধান্ত লব পাৰিব কেৱল যদিহে এইবোৰ তথ্যই বিভিন্ন সময়ৰ আৰু বিভিন্ন ব্যৱসায়ৰ লগত তুলনামূলক অধ্যয়নত ব্যৱহাৰ্য হয়। সেইদৰে আন্তঃ ব্যৱসায় (Inter firm) আৰু আন্তঃ কালৰ (Inter-period) তুলনা কৰাটো প্ৰয়োজন হৈ পৰে। এইটো কৰাটো সম্ভৱ যদিহে ব্যৱসায়বোৰে একেধৰণৰ আৰু সঙ্গতি থকা হিচাপ লিখন নীতি আৰু পদ্ধতি সকলো সময়তে অনুসৰণ কৰে।

উদাহৰণস্বৰূপে, এজন বিনিয়োগকাৰীয়ে এটা ব্যৱসায়ৰ চলিত বৰ্ষৰ বিত্তীয় ফলাফলসমূহ আগৰ বছৰৰ লগত তুলনা কৰিব বিচাৰে। তেওঁ এই বছৰৰ প্ৰকৃত লাভৰ লগত যোৱা বছৰৰ তুলনা কৰিব পাৰে। কিন্তু যদি ব্যৱসায়টোৱে দুটা বছৰত অৱক্ষয়ৰ পৰিমাণ পৃথক ধৰণে দেখুৱাৰ নীতি অৱলম্বন কৰে, তেতিয়া লাভৰ পৰিমাণ তুলনা কৰিব পৰা নাযাব। কাৰণ যোৱা দুটা বছৰত মজুতৰ মূল্যায়ন কৰিবলৈ অৱলম্বন কৰা পদ্ধতিৰ সামঞ্জস্যতা নাই। গতিকে এইটো প্ৰয়োজনীয় যে বিত্তীয় বিৱৰণী প্ৰস্তুত কৰাৰ সময়ত সামঞ্জস্য নীতি অনুসৰণ কৰিব লাগে যাতে দুটা বিত্তীয় বৰ্ষৰ ফলাফলসমূহ তুলনা কৰিব পাৰে। সামঞ্জস্যতাই ব্যক্তিগত পক্ষপাতিতা আতৰ কৰি ফলাফলসমূহ সমাধা কৰাত সহায় কৰে যাক তুলনা কৰিব পাৰি।

লগতে দুটা ব্যৱসায়ৰ বিত্তীয় ফলাফলসমূহ তুলনামূলক অধ্যয়ন অৰ্থপূৰ্ণ হ'ব যদিহে বিত্তীয় বিবৃতি সমূহ তৈয়াৰ কৰোতে একেধৰণৰ হিচাপকৰণৰ পদ্ধতি আৰু নীতি অনুসৰণ কৰে।

সেইদৰে সামঞ্জস্য নীতিয়ে হিচাপ কৰণৰ নীতিৰ পৰিৱৰ্তনত বাধা আৰোপ নকৰে। প্ৰয়োজনীয় পৰিৱৰ্তনসমূহ ব্যৱসায়টোৰ বিত্তীয় ফলাফলত সম্ভৱতঃ প্ৰভাৱ কৰা কাৰণৰ সৈতে বিত্তীয় বিবৃতিত দেখুৱাব লাগে।

### *2.2.11 ৰক্ষণশীলতা ধাৰণা (Conservatism Concept)*

ৰক্ষণশীলতা ধাৰণাই হিচাপৰ বহীসমূহত লেনদেনসমূহ নথিভুক্ত কৰাৰ পথ নিদেৰ্শক হিচাপে

কাম কৰে আৰু ই 'সৰ্তকতা নীতিৰ' ওপৰত নিৰ্ভৰ কৰে। এই নীতি অনুসৰি ব্যৱসায়টোৰ লাভ নিৰ্ণয় কৰোতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে যাতে লাভসমূহ বেছিকৈ নেদেখুৱায়। যদি প্ৰকৃততে হোৱা লাভ বেছিকৈ দেখুৱায় তেতিয়া মূলধনৰ পৰা লাভৰ অংশ বিতৰণ কৰিব লাগিব যিটো সঠিক নহয় আৰু ইয়াৰ বাবে ব্যৱসায়টোৰ মূলধন হ্ৰাস পাব।

সামঞ্জস্য নীতি অনুসৰি যেতিয়ালৈকে লাভ আদায় কৰা নহয় তেতিয়ালৈকে ইয়াক নথিভুক্ত কৰিব নালাগে, কিন্তু ভৱিষ্যতে হ'ব পৰা সম্ভাৱনীয় ক্ষতি বা লোকচানসমূহ হিচাপৰ বহীত লিখিব লাগিব। উদাহৰণ স্বৰূপে সামৰণী মজুতৰ মূল্য ক্ৰয় বা বজাৰ মূল্য যিটোৱে কম হয় সেই মূল্যত মূল্যায়ণ কৰা হয়, অনুদ্ধাৰণীয় ঋণৰ (Doubtful debt) ভৱিষ্যৎ ব্যৱস্থা, দেনাদাৰৰ ওপৰত বাট্টা (Discount), সুনাম (Goodwill), কৃতিস্বত্ব (Patent) আদি অস্পৰ্শনীয় সম্পদ (Intangible Assets) সমূহ হিচাপৰ বহীৰ পৰা বাদ দিয়া আদি ৰক্ষণশীলতা নীতিৰ কিছুমান উদাহৰণ। সেইদৰে যদি ক্ৰয় কৰা সামগ্ৰীৰ মূল্য বজাৰত হ্ৰাস হয় তেতিয়া মজুত সামগ্ৰীৰ মূল্য ক্ৰয় দামতে স্থিৰ কৰা হয় কিন্তু যদি ক্ৰয় কৰা সামগ্ৰীৰ মূল্য বজাৰত বৃদ্ধি হয় তেতিয়া মজুত সামগ্ৰী বিক্ৰী নোহোৱালৈকে মূল্য বৃদ্ধিৰ ফলত হোৱা লাভ নথিভুক্ত কৰা নহয়। ৰক্ষণশীলতা নীতি অনুসৰি সকলোবোৰ সম্ভাব্য লোকচান হিচাপত ধৰিব লাগে কিন্তু সম্ভাব্য লাভ হিচাপত ধৰিব নালাগে যেতিয়ালৈকে ইয়াক প্ৰাপ্তি কৰা নহয়। যদিও এই নীতিয়ে হিচাপৰক্ষকসকলৰ মনত এটা নিৰাশাবাদী মনোভাব প্ৰতিফলন কৰে, তথাপি ব্যৱসায়টোৰ অনিশ্চয়তা মোকাবিলা কৰিবলৈ ই এটা উত্তম উপায়, লগতে ব্যৱসায়টোৰ সম্পত্তি নিবিচৰাকৈ বিতৰণ কৰিবলৈ যোৱাৰ বিপৰীতে পাওনাদাৰসকলৰ স্বাৰ্থৰ সুৰক্ষা প্ৰদান কৰে। ঠিক একেদৰে নভবা নিচিন্তাকৈ সম্পত্তি সমূহৰ মূল্য কমাই দেখুওৱা নীতি পৰিহাৰ কৰিব লাগে কাৰণ ই গোপন লাভৰ কাৰণ হ'ব পাৰে যাক গোপন পুঁজি (Secret Reserves) বোলা হয়।

### 2.2.12 *বাস্তৱিকতাৰ ধাৰণা (Materiality Concept)*

বাস্তৱধৰ্মিতা ধাৰণা অনুসৰি হিচাপকৰণৰ বাস্তৱ ঘটনাসমূহৰ ওপৰতহে গুৰুত্ব দিব লাগে। আয় নিৰ্দ্ধাৰণত জড়িত নোহোৱা অবাস্তৱিক ঘটনা সমূহ নথিভুক্ত আৰু উপস্থাপন কৰি অনাহকত কষ্ট কৰাৰ কোনো প্ৰয়োজন নাই। বাস্তৱ ঘটনা সমূহৰ লগতহে হিচাপ কৰণৰ প্ৰশ্নসমূহ জড়িত থাকে। বাস্তৱ ঘটনাসমূহ ইয়াৰ প্ৰকৃতি আৰু জড়িত থকা পৰিমাণসমূহৰ ওপৰত নিৰ্ভৰ কৰে। কোনো এটা ঘটনা বা বিষয়বস্তু বাস্তৱ বুলি বিবেচনা কৰা হ'ব যদিহে বিত্তীয় প্ৰতিবেদন ব্যৱহাৰকাৰীসকলে ইয়াক প্ৰাসঙ্গিক বুলি লগতে তেওঁলোকৰ সিদ্ধান্তসমূহত প্ৰভাৱ বিস্তাৰ কৰে। উদাহৰণস্বৰূপে ধন

ব্যয় কৰি এটা ছবিঘৰৰ (Theater) ক্ষমতা বৃদ্ধি কৰাটো এটা বাস্তৱ ঘটনা কাৰণ ই ভৱিষ্যতে ব্যৱসায়টোৰ অৰ্জন ক্ষমতা বৃদ্ধি কৰিব। ঠিক একেদৰে অবক্ষয়ৰ পদ্ধতি সলনি কৰা তথ্য, অথবা ভবিষ্যতে হ'ব পৰা যিকোনো ধৰণৰ দেনা আদি উল্লেখযোগ্য তথ্য। এই সকলোবোৰ তথ্য ব্যৱসাটোৰ বিত্তীয় প্ৰতিবেদনত উপযুক্ত টোকা সহকাৰে প্ৰকাশ কৰিব লাগে যাতে ব্যৱহাৰকাৰীসকলে তথ্যমূলক সিদ্ধান্ত সমূহ গ্ৰহণ কৰিব পাৰে। কিছুমান ক্ষেত্ৰত যেতিয়া পৰিমাণসমূহ নগন্য হয়, তেতিয়া হিচাপ কৰণৰ কঠোৰ নিয়মসমূহ পালন নকৰিলেও হয়। উদাহৰণস্বৰূপে, হাতত মজুত থকা পেঞ্চিল, ৰবৰ, স্কেলৰ পৰিমাণসমূহ সম্পত্তি হিচাবে দেখুওৱা নহয় যদিও এই সামগ্ৰীবোৰ এটা নিৰ্দিষ্ট হিচাপ বৰ্ষৰ ভিতৰত ক্ৰয় কৰা হৈছিল আৰু এইবোৰ সেই নিৰ্দিষ্ট বছৰতে ব্যয় হোৱা বুলি দেখুওৱা হয়। যিটো বছৰত ব্যয় হয় সেই ব্যয়সমূহ ৰাজহ ব্যয় (Revenue expenditure) হিচাপে দেখুওৱা হয় আৰু ইয়াক সেইবছৰৰ লাভ আৰু লোকচান হিচাপত দেখুওৱা হয়।

### *2.2.13 উদ্দেশ্যধৰ্মিতা ধাৰণা (Objectivity Concept)*

উদ্দেশ্যজনিত ধাৰণা অনুসৰি হিচাপ কৰণৰ লেনদেনসমূহ উদ্দেশ্যৰ নীতি অনুসৰি লিখি ৰখা হয় যাতে ইয়াক হিচাপৰক্ষক বা আন ব্যক্তিৰ পক্ষপাতিতাৰ পৰা মুক্ত ৰাখিব পাৰি। এইটো সম্ভৱ যদিহে প্ৰতিটো লেনদেন প্ৰমাণ কৰিব পৰা সৰ্মথনকাৰী নথি বা ৰচিদৰ সহায়ত লিখা হয়। উদাহৰণস্বৰূপে, নগদ টকাৰে ক্ৰয় কৰা সামগ্ৰীৰ লেনদেন নগদ প্ৰাপ্তিৰ (Cash Receipt) সহায়ত, বাকীকৈ ক্ৰয় কৰা সামগ্ৰী চালান (Invoice) আৰু জমা দিয়া চালানৰ সহায়ত লিপিবদ্ধ কৰা হয়। ঠিক একেদৰে যন্ত্ৰপাতি ক্ৰয় কৰোতে পৰিশোধ কৰা মূল্যৰ প্ৰাপ্তি (Receipt) যন্ত্ৰপাতিৰ মূল্য পৰীক্ষা কৰোতে লেনদেনৰ এটা তথ্যগত প্ৰমাণ হিচাবে গ্ৰহণ কৰা হয়। লেনদেনসমূহ নথিভুক্ত কৰাৰ সময়ত অতীত ব্যয় (Historical Cost) নীতি অৱলম্বন কৰাৰ কাৰণটো হ'ল উদ্দেশ্যজনিত নীতিৰ অনুসৰণ কৰাটো সম্ভৱ কৰি তোলা। ওপৰত উল্লেখ কৰি অহাৰ দৰে এটা নথিৰ সহায়ত সম্পত্তি ক্ৰয় কৰোতে পৰিশোধ কৰা পৰিমাণৰ কথা প্ৰমাণ কৰিব পাৰি কিন্তু বিক্ৰী নকৰালৈকে ইয়াৰ বজাৰ মূল্যৰ বিষয়ে প্ৰমাণ কৰিব নোৱাৰি। অকল সেইটোৱে নহয়, বজাৰ মূল্য ব্যক্তিভেদে বা ঠাই ভেদে পৃথক হব পাৰে আৰু যদি এইবোৰ হিচাপকৰণৰ উদ্দেশ্যত অৱলম্বন কৰা হয়, তেতিয়াহ'লে উদ্দেশ্যজনিত ধাৰণাৰ সঠিক পালন কৰা নহ'ব।

তুমি কি বুজিলা চোৱা-II

শুদ্ধ শব্দৰে তলৰ খালীঠাইবোৰ পূৰ কৰা

১) ৰাজহৰ লগত একেসময়তে হোৱা স্বীকৃত ব্যয়সমূহক .............. ধাৰণা বুলি কোৱা হয়।

২) সম্পত্তি আৰু ৰাজহৰ নিম্নমূল্যায়ন আৰু দেনা আৰু ব্যয়ৰ অতিৰঞ্জিত কৰা প্ৰস্তাৱসমূহ স্থিৰ কৰা হিচাপৰক্ষকজনৰ যিটো লক্ষ্য, তেনেধৰণৰ হিচাপ কৰণৰ ধাৰণাক .............. জনা যায়।

৩) বিক্ৰীৰ সময়ত সাধাৰণতে স্বীকৃত হোৱা ৰাজহে .............. ধাৰণাটো সুচায়।

৪) ..............ধাৰণাই প্ৰতি বছৰে একেধৰণৰ হিচাপ কৰণৰ পদ্ধতি অনুসৰণ কৰাটো বিচাৰে।

৫) .............. ধাৰণাই হিচাপ কৰণৰ লেনদেনসমূহ হিচাপৰক্ষক আৰু আন ব্যক্তিৰ পক্ষপাতিতাৰ পৰা মুক্ত হোৱাটো বিচাৰে।

## 2.3 হিচাপকৰণৰ পদ্ধতি (System of Accounting)

হিচাপৰ বহীত হিচাপসমূহ নথিভুক্ত কৰা পদ্ধতিবোৰ সাধাৰণতে দুটা শ্ৰেণীত ভাগ কৰি লোৱা হয় দ্বি-প্ৰবিষ্টি পদ্ধতি (Double Entry system) আৰু এক- প্ৰবিষ্টি পদ্ধতি (Single Entry System)। দ্বি-প্ৰবিষ্টি পদ্ধতি 'দ্বৈত দিশৰ' নীতিৰ ওপৰত নিৰ্ভৰ কৰে, যাৰ অৰ্থ হ'ল যে প্ৰতিটো লেনদেনৰ দুটা দিশ থাকে- উপকাৰ গ্ৰহণ কৰা আৰু উপকাৰ প্ৰদান কৰা বা সংক্ষেপতে উপকাৰ লোৱা আৰু উপকাৰ দিয়া। গতিকে প্ৰতিটো লেনদেনতে দুটা বা ততোধিক হিচাপ জড়িত হৈ থাকে আৰু এইবোৰ খতিয়ন (Ledger) বহীৰ বিভিন্ন ঠাইত লিখা হয়। প্ৰতিটো ডেবিটৰ বিপৰীতে এটা অনুৰূপ ক্ৰেডিট থকাৰ মূল নীতি অনুসৰণ কৰা হয়। সেইদৰে এটা হিচাপ ডেবিট আৰু আনটো হিচাপ ক্ৰেডিট কৰিব।

যিহেতু লেনদেনৰ দুয়োটা দিশেই হিচাপৰ বহীসমূহত লিখি ৰখা হয়, গতিকে দ্বি-প্ৰবিষ্টি পদ্ধতি এটা সম্পূৰ্ণ পদ্ধতি। এই পদ্ধতিটো শুদ্ধ আৰু নিৰ্ভৰশীল যাৰ ফলত ঠগ-প্ৰৱঞ্চনা আৰু আত্মসাৎ ৰোধ কৰিব পাৰি। উদ্বৃত্ত মিলন পত্ৰ (Trial Balance) প্ৰস্তুত কৰি নথিসমূহৰ গাণিতিক ভুলসমূহ পৰীক্ষা কৰিব পাৰি। দ্বি-প্ৰবিষ্টি পদ্ধতি সৰু-ডাঙৰ সকলো ধৰণৰ ব্যৱসায়তে প্ৰযোজ্য কৰিব পাৰি।

এক প্ৰবিষ্টি পদ্ধতি বিত্তীয় লেনদেনসমূহ লিখি ৰখাৰ বাবে এটা সম্পূৰ্ণ পদ্ধতি নহয়। ই প্ৰতিটো লেনদেনৰ দুটা দিশ লিখি নাৰাখে। এই পদ্ধতিত সকলো হিচাপ ৰখাৰ পৰিৱৰ্তে, কেৱল ব্যক্তিগত হিচাপ (Personal account) আৰু নগদ হিচাপহে ৰাখে। প্ৰকৃততে ই হিচাপকৰণৰ

কোনো পদ্ধতিয়েই নহয়, আৰু এই পদ্ধতিৰ হিচাপসমূহত কোনো ধৰণৰ মিল নাই। এই পদ্ধতি অনুসৰি কিছুমান লেনদেনৰ কেৱল এটা দিশহে লিখা হয় আৰু আন কিছুমান লেনদনেৰ দুয়োটা দিশেই লিখি ৰখা হয়। এই পদ্ধতি অনুসৰি ৰখা হিচাপসমূহ অসম্পূৰ্ণ আৰু অশৃংখলাবদ্ধ, গতিকে এইবোৰ অনিৰ্ভৰশীল। এই পদ্ধতিটো সৰল হোৱাৰ বাবে সাধাৰণতে সৰু সুৰা ব্যৱসায়বোৰে অনুসৰণ কৰা দেখা যায়। (এই কিতাপখনৰ শেষৰ অধ্যায়ত তোমালেকে ইয়াৰ বিষয়ে ভালদৰে পঢ়িবলৈ পাবা)

## 2.4 হিচাপকৰণৰ ভিত্তি (Basis of Accounting)

ৰাজহ আৰু ব্যয়ৰ স্বীকৃত সময়ৰ দৃষ্টি কোণৰ পৰা হিচাপকৰণৰ দুটা ভাগ কৰা হয়-

১) নগদ ভিত্তি (Cash basis) আৰু

২) উদ্ভূত ভিত্তি (Accrual basis)

নগদ ভিত্তি অনুসৰি যেতিয়া নগদ প্ৰাপ্তি বা আদায় দিয়া হয় তেতিয়াহে হিচাপৰ বহীসমূহত লিখা হয়, পাবলগীয় বা দিবলগীয়াৰ ওপৰত নহয়। উদাহৰণ হিচাপে, যদি ২০০৫ চনৰ ডিচেম্বৰ মাহৰ কাৰ্যালয়ৰ ভাৰা ২০০৬ চনৰ জানুৱাৰী মাহত আদায় দিয়া হয়, তেতিয়াহ'লে ইয়াক হিচাপৰ বহীত কেৱল ২০০৬ চনৰ জানুৱাৰী মাহতহে লিখা হব।

ঠিক একেদৰে ২০০৬ চনৰ জানুৱাৰী মাহত বাকীকৈ কৰা বিক্ৰী জানুৱাৰী মাহত লিখা নহয়, কিন্তু ইয়াৰ বাবে যদি এপ্ৰিল মাহত টকা আদায় পোৱা হয় তেতিয়াহে লিখা হব। গতিকে এই পদ্ধতিটো সমতুল্য নীতিৰ বিপৰীত আৰু সঙ্গতিহীন যিটোৰ অনুসৰি এটা নিৰ্দিষ্ট সময়ৰ ৰাজহ সেই সময়ৰ ব্যয়ৰ লগত সমান হৈ থাকিব লাগে। যদিও সাধাৰণ, এই পদ্ধতিটো বহুতো ব্যৱসায়ৰ বাবে সঠিক নহয়, কিয়নো লেনদেন সমূহ সংঘটিত হোৱাৰ পৰিৱৰ্তে নগদ প্ৰাপ্তি আৰু আদায়ৰ পাৰ্থক্যৰ ওপৰত নিৰ্ভৰ কৰি এই পদ্ধতি অনুসৰি লাভ নিৰ্ণয় কৰা হয়।

উদ্ভূত ভিত্তি অনুসৰি ৰাজহ বা ব্যয় প্ৰাপ্তি বা আদায়ৰ ওপৰত নিৰ্ভৰ নকৰি বৰঞ্চ সেইবোৰ এটা নিৰ্দিষ্ট সময়ত সংঘটিত হোৱাৰ ওপৰত নিৰ্ভৰ কৰি লাভ বা লোকচান নিৰ্ণয় কৰা হয়। নগদ প্ৰাপ্তি আৰু নগদ পোৱাৰ অধিকাৰ আৰু নগদ আদায় আৰু নগদ আদায়ৰ বৈধ কৰ্তব্যৰ মাজত এটা পাৰ্থক্য ৰখা হয়। গতিকে এই পদ্ধতি অনুসৰি এটা ব্যৱসায় ধনৰ ওপৰত প্ৰভাৱ পৰিব পৰা এটা নিৰ্দিষ্ট সময়ৰ লেনদেনৰ পৰা অৰ্জন কৰা আয়সমূহ বিবেচনা কৰা হয়, সেইবোৰৰ প্ৰাপ্তি বা আদায়ৰ ওপৰত নহয়। ৰাজহৰ লগত সঙ্গতি ৰাখি কৰা ব্যয়ৰ ফলত অৰ্জন কৰা লাভ

নিৰ্ণয়ৰ ই এটা উত্তম পদ্ধতি। উদাহৰণস্বৰূপে বিক্ৰী কৰা সামগ্ৰীৰ মূল্য কেঁচা সামগ্ৰীৰ মূল্যৰ লগত সমতুল্য কৰি ৰখা হয়।

## 2.5 হিচাপকৰণৰ মানক (Accounting Standards)

আগৰ অধ্যায়ত আলোচনা কৰি অহাৰ দৰে হিচাপকৰণৰ মূল ধাৰণা হিচাপে সাধাৰণভাৱে গ্ৰহণযোগ্য হিচাপকৰণৰ নীতিৰ (GAAP) ফলত হিচাপকৰণৰ বিত্তীয় প্ৰতিবেদনসমূহ মিল আৰু তুলনাযোগ্য হোৱাৰ বাবে হিচাপ কৰণৰ লগত জড়িত ব্যক্তিসকলে ইয়াক গ্ৰহণ কৰিছে। হিচাপ কৰণৰ তথ্যৰ ব্যৱহাৰকাৰী সকলৰ বাবে এই বিবৃতিসমূহৰ উপযোগীতা বৃদ্ধিৰ লক্ষ্য ৰখা হৈছে। কিন্তু GAAP ৰ আন এটা অসুবিধা হ'ল যে ই একেটা বিষয়ৰ বিভিন্ন বিকল্পৰ ব্যৱহাৰৰ বিষয়ে অনুমতি দিয়ে। উদাহৰণ স্বৰূপে মজুত সামগ্ৰী মূল্যায়নৰ বিভিন্ন পদ্ধতি আছে যিবোৰ বিভিন্ন ব্যৱসায়ে অনুসৰণ কৰিব পাৰে। এইবোৰে তথ্যৰ বাহ্যিক ব্যৱহাৰকাৰীসকলক অসুবিধাত পেলাব পাৰে যিবোৰ বিসংগতিপূৰ্ণ আৰু তুলনা কৰিব নোৱাৰা বিধৰ। ইয়াৰ বাবে হিচাপকৰণৰ তথ্যসমূহৰ মিল আৰু সামঞ্জস্যতা অনাটো দৰকাৰ।

এইবোৰৰ স্বীকৃতিৰ বাবে ইন্‌ষ্টিটিউত অব চাৰ্টাৰ্ড একাউণ্ট অব ইণ্ডিয়াই হিচাপকৰণৰ মানকৰ বিকাশ ঘটাবলৈ ১৯৯৭ চনত হিচাপকৰণৰ মানক পৰিষদ (Accounting Standard Board) গঠন কৰি দিয়ে। হিচাপ কৰণৰ মানক পৰিষদৰ মূল কাৰ্যসমূহ হ'ল, যিবোৰ বিষয়ত মানকৰ মিল থকা প্ৰয়োজন সেইবোৰ চিনাক্ত কৰা আৰু চৰকাৰী প্ৰতিনিধি, ৰাজহুৱা খণ্ডৰ ব্যৱসায় আৰু উদ্যোগ আৰু অন্যান্য সংগঠনসমূহৰ লগত আলোচনা কৰাৰ পিছত খচৰা মানকৰ (Draft standards)বিকাশ ঘটোৱা। যিহেতু ভাৰতবৰ্ষ, আন্তঃৰাষ্ট্ৰীয় হিচাপ স্থিৰকৰণ গোটৰ এজন সদস্য সেইহেতু হিচাপ কৰণৰ মানক পৰিষদে (ASB) আন্তঃৰাষ্ট্ৰীয় হিচাপকৰণৰ মানকৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ASB এ মানকৰ খচৰা ICAI ৰ পৰিষদৰ ওচৰত দাখিল কৰে যিবোৰ বিত্তীয় প্ৰতিবেদন উপস্থাপনৰ কাৰ্যত সেইবোৰত চূড়ান্ত ৰূপ আৰু জাননী জাৰি কৰে। সময়ে সময়ে ASB এ হিচাপ কৰণৰ মানকৰ পৰ্যালোচনা কৰি থাকে।

হিচাপকৰণৰ মানক হ'ল বিত্তীয় বিবৃতিসমূহৰ প্ৰস্তুত কৰাৰ উপযুক্ত আৰু একেধৰণৰ হিচাপকৰণৰ নিয়ম আৰু নিৰ্দেশক বা পদ্ধতিৰ লগতে হিচাপকৰণৰ তথ্যসমূহে ব্যৱহাৰকাৰীসকলক প্ৰভাৱ কৰিব পৰা এখন লিখিত বিৱৰণী। সেইদৰে হিচাপকৰণৰ মানকে দেশৰ আইন প্ৰথা, ৰীতি আৰু ব্যৱসায়িক পৰিৱেশ ব্যৱস্থাসমূহ অতিক্ৰম নকৰে।

ICAI এ হিচাপকৰণৰ পেছাদাৰীসকলক হিচাপকৰণৰ মানক গ্ৰহণ কৰাটো বিচাৰে যাতে বিত্তীয় প্ৰতিবেদন উপস্থাপন মিল আনিব পাৰে। প্ৰাৰম্ভিক অৱস্থাত মানকসমূহ অনুমোদন প্ৰকৃতিৰ আছিল। মানকৰ প্ৰয়োজনীয়তাৰ বিষয়ে এবাৰ সৰ্তকতা সৃষ্টি কৰাৰ পিছত, সকলো ধৰণৰ কোম্পানীয়ে ইয়াৰ গ্ৰহণ বাধ্যতামূলক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়। যদি কোম্পানীসমূহে ইয়াক গ্ৰহণ নকৰে তেতিয়া গ্ৰহণ নকৰাৰ কাৰণ আৰু ইয়াৰ বিত্তীয় প্ৰভাৱ কিদৰে পৰিব সেই বিষয়ে উল্লেখ কৰিব লাগিব।

**হিচাপৰ মানক'ৰ প্ৰয়োজনীয়তা**

বিত্তীয় বিবৃতিবোৰৰ তুলনাহীনতাক পৰিসমাপ্তি ঘটাবলৈ আৰু হিচাপৰ বিভিন্ন ধৰণৰ নীতি-নিয়মবোৰৰ মাজত থকা বৈচিত্ৰময়তাৰ মাজত এক সমতা ৰক্ষা কৰাৰ উদ্দেশ্যৰে হিচাপৰ মানকবোৰ প্ৰস্তুত কৰা হৈছে।

আন্তৰাষ্ট্ৰীয় হিচাপৰ মানক (International Accounting Standards)বোৰ আৰু ভাৰতীয় হিচাপৰ মানকবোৰে (Indian Accounting Standards) বিত্তীয় বিবৃতিবোৰৰ তুলনাযোগ্যতা আৰু সমতা ৰক্ষা কৰাৰ ক্ষেত্ৰত এক বিশেষ তাৎপৰ্য বহন কৰে।

ভাৰতীয় কোম্পানী আইন ২০১৩ৰ ১২৯ নং ধাৰাত কোৱা হৈছে যে কোম্পানীৰ বিত্তীয় বিবৃতিবোৰে ব্যৱসায়ৰ ফলাফল আৰু বিত্তীয় অৱস্থাৰ এটা শুদ্ধ আৰু ন্যায্য ছবি উপস্থাপন কৰিব লাগে আৰু এইবোৰ সম্ভৱ হয় হিচাপৰ মানকবোৰৰ ব্যৱহাৰৰ দ্বাৰা।

তলত হিচাপৰ মানক'ৰ প্ৰয়োজনীয়তাবোৰ সংক্ষেপে উল্লেখ কৰা হ'ল ঃ

**১) সমতা আৰু ধাৰাবাহিকতা বজাই ৰখা ঃ** হিচাপৰ মানকবোৰে বিত্তীয় বিবৃতিবোৰ প্ৰস্তুত কৰাৰ সময়ত সমতা আৰু ধাৰাবাহিকতাৰ নীত ৰক্ষা কৰে। ইয়াৰ ফলত বিত্তীয় বিবৃতিবোৰ সহজে বুজি পোৱা আৰু তুলনা কৰিব পৰা হয়।

**২) বিকল্প নীতিৰ অপসাৰণ ঃ** হিচাপৰ মানকবোৰে হিচাপৰ লেনদেনবোৰ লিপিবদ্ধকৰণ আৰু উপস্থাপনৰ ক্ষেত্ৰত এক উমৈহতীয়া নিৰ্দেশাৱলী আৰু পদ্ধতি আগবঢ়ায়। ইয়াৰ ফলত লেনদেনৰ লিপিবদ্ধকৰণ আৰু উপস্থাপন কৰণৰ বিকল্প পদ্ধতি নাইকীয়া কৰাত সহায় কৰে।

**৩) কোম্পানীৰ প্ৰশাসন ব্যৱস্থাৰ মান উন্নতকৰণ ঃ** হিচাপৰ মানকে বিত্তীয় বিবৃতিবোৰ এনেধৰণে প্ৰস্তুত কৰে যাতে বিত্তীয় বিবৃতিবোৰ স্পষ্ট, শুদ্ধ আৰু হিচাপৰ নীতি প্ৰয়োগৰ ক্ষেত্ৰত ধাৰাবাহিকতা ৰক্ষা কৰে। ইয়াৰ ফলত কোম্পানীৰ প্ৰশাসনৰ মান উন্নত হয়।

**৪) হিচাপৰ নীতি আৰু অনুশীলনৰ সমন্বয় সাধন কৰা ঃ** হিচাপৰ বিভিন্ন নীতি আৰু অনুশীলনৰ সমন্বয় সাধন কৰাত হিচাপৰ মানকে সহায় কৰে।

**৫) অনুশীলনৰ উন্নত ভাষা ঃ** হিচাপৰ মানকে হিচাপ ব্যৱস্থাটোক এক উন্নত মানৰ ব্যৱসায়ীক ভাষা হিচাপে তৈয়াৰ কৰে। ইয়াৰ ফলত ব্যৱসায়ৰ তথ্যবোৰৰ গ্ৰহণযোগ্যতা বৃদ্ধি পায়।

**হিচাপৰ মানক'ৰ সুবিধা ঃ**

**তলত হিচাপৰ মানক'ৰ সুবিধাবোৰ উল্লেখ কৰা হ'ল—**

**১) সমতা আৰু ধাৰাবাহিকতা ৰক্ষা কৰা ঃ** ব্যৱসায়ৰ বিবৃতিবোৰ প্ৰস্তুত কৰাৰ সময়ত হিচাপৰ মানকবোৰে সমতা আৰু ধাৰাবাহিকতা ৰক্ষা কৰে।

**২) তুলনাযোগ্যতা ঃ** হিচাপৰ মানক ব্যৱহাৰ কৰাৰ ফলত বিত্তীয় বিবৃতিবোৰ নিজৰ ব্যৱসায়ৰ মাজত বা এখন ব্যৱসায়ৰ লগত আন এখন ব্যৱসায়ৰ তুলনা কৰিব পৰা হয়। ফলত ব্যৱহাৰকাৰীবোৰে এটা সুস্থ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

**৩) হিচাপৰ উন্নত পদ্ধতি ঃ** হিচাপৰ বিভিন্ন পদ্ধতিবোৰৰ ভিতৰত এটা উন্নতমানৰ হিচাপৰ পদ্ধতি চিনাক্ত কৰি বিত্তীয় বিবৃতিবোৰ প্ৰস্তুত কৰাত হিচাপৰ মানকে সহায় কৰে।

**৪) বিত্তীয় বিবৃতিবোৰৰ নিৰ্ভৰযোগ্যতা ঃ** হিচাপৰ মানকে ব্যৱসায়ৰ বিত্তীয় বিবৃতিবিলাকৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰে।

**৫) বিশ্বাসযোগ্যতা বৃদ্ধি কৰে ঃ** হিচাপৰ মানক ব্যৱহাৰ কৰি বিত্তীয় বিবৃতিবোৰ প্ৰস্তুত কৰিলে বিত্তীয় বিবৃতিবোৰৰ বিশ্বাসযোগ্যতা বৃদ্ধি হয়।

**৬) বিত্তীয় খেলি-মেলিৰ প্ৰতিৰোধ ঃ** হিচাপৰ মানক ব্যৱহাৰ কৰাৰ ফলত বিত্তীয় খেলি-মেলিৰ প্ৰতিৰোধ হয়।

**৭) হিচাপ পৰীক্ষকক সহায় কৰে ঃ** হিচাপৰ মানকে সমতাৰ নীতি-প্ৰয়োগ কৰাৰ ফলত হিচাপ পৰীক্ষকৰ কাৰ্য সম্পাদন কৰা সহজ হয়।

**৮) পৰিচালনাৰ দায়িত্বশীলতা নিৰ্ণয় ঃ** হিচাপৰ মানকে ব্যৱসায় প্ৰতিষ্ঠানত পৰিচালনাৰ দায়িত্বশীলতা নিৰূপণ কৰে।

**৯) ব্যৱসায়ৰ গোলকীকৰণ ঃ** যেতিয়া বিত্তীয় বিবৃতিবোৰ হিচাপৰ মানক ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হয়, তেতিয়া বৈদেশীক বিনিয়োগকাৰীয়ে বিত্তয়ী বিবৃতিবোৰ বেছি বিশ্বাসযোগ্যতাৰে গ্ৰহণ কৰে।

এনেদৰে হিচাপৰ মানকবোৰে ব্যৱসায়ৰ গোলকীকৰণত সহায় কৰে।

**হিচাপৰ মানক'ৰ সীমাবদ্ধতা ঃ**

হিচাপৰ মানকবোৰৰ কিছুমান নিজস্ব সীমাবদ্ধতা আছে। সেইবোৰে প্ৰচলিত আইনৰ বাধা নিষেধবোৰ অতিক্ৰম কৰিব নোৱাৰে, প্ৰচলিত সীমাৰ ভিতৰতে সেইবোৰ প্ৰস্তুত কৰা হয়।

**হিচাপৰ মানকৰ সীমাবদ্ধতাবোৰ তলত দিয়া হ'ল—**

**১) শিথিলতাৰ অভাৱ ঃ** হিচাপৰ মানকবোৰে হিচাপৰ নিয়মৰ শিথিলতা বজাই নাৰাখে।

**২) দীৰ্ঘ সময়ৰ প্ৰয়োজন ঃ** হিচাপৰ মানক'বোৰ প্ৰস্তুত কৰি উলিওৱা আৰু প্ৰয়োগ কৰাৰ বাবে দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়।

**৩) সীমিত পৰিসৰ ঃ** হিচাপৰ মানক'বোৰ প্ৰচলিত আইনৰ আধাৰতে প্ৰস্তুত কৰা হয়। সেয়েহে উক্ত আইনৰ সীমাক হিচাপৰ মানকে অতিক্ৰম কৰিব নোৱাৰে। ফলস্বৰূপে হিচাপৰ মানক'ৰ পৰিসৰ সীমিত হয়।

**হিচাপৰ মানক'ৰ প্ৰয়োগ ঃ**

হিচাপক ব্যৱসায়ৰ ভাষা বুলি কোৱা হয়। হিচাপৰ মানকে সেই ভাষাক আৰু পৰিশোধন কৰে। হিচাপৰ মানক'ৰ লক্ষ্য হৈছে হিচাপৰ তথ্যবোৰৰ গুণগত মানদণ্ড উন্নত কৰা যাতে তথ্যবোৰৰ তুলনাযোগ্যতা, ধাৰাবাহিকতা আৰু স্বচ্ছতা বজাই ৰখাত সহায়ক হয়। ইয়াৰ ফলত তথ্য ব্যৱহাৰকাৰী পক্ষবোৰৰ সুবিধা হয়।

ভাৰতীয় কোম্পানী আইন ২০১৩ ৰ ১২৯ নং ধাৰাত কোৱা হৈছে যে কোম্পানীৰ বিত্তীয় বিবৃতিবোৰে ব্যৱসায়ৰ ফলাফল আৰু বিত্তীয় অৱস্থাৰ এটা শুদ্ধ আৰু ন্যায্য ছবি উপস্থাপন কৰিব লাগে আৰু এইবোৰ সম্ভৱ হয় হিচাপৰ মানক'বোৰৰ ব্যৱহাৰৰ দ্বাৰা।

যিবোৰ প্ৰতিষ্ঠানে বাণিজ্যিক, উদ্যোগিক বা ব্যৱসায়ীক কামত জড়িত নহয় তেনেবোৰ প্ৰতিষ্ঠানে হিচাপৰ মানক ব্যৱহাৰ কৰিব নালাগে।

হিচাপকৰণৰ মানকৰ তালিকাখন এই অধ্যায়ৰ পৰিশিষ্টত (Appendix) দিয়া হৈছে।

## 2.6 আই. এফ. আৰ. এছ. (IFRS)

**আই.এফ.আৰ.এছ.-ৰ অৰ্থ ঃ**

আই.এফ.আৰ.এছ.-ৰ সম্পূৰ্ণ অৰ্থ হৈছে আন্তৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিবেদন মানদণ্ড। এনে মানদণ্ডবোৰে কোম্পানীবোৰক বিত্তীয় প্ৰতিবেদনযবিবৃতি প্ৰস্তুত কৰা সময়ত হিচাপকৰণৰ নিয়মৰ পৰিসৰৰ ভিতৰত আনিবলৈ সহায় কৰে। আই.এফ.আৰ.এছ.-ৰ মূল উদ্দেশ্য হৈছে সমগ্ৰ বিশ্বত বিত্তীয় বিবৃতিবোৰ স্বচ্ছ, সুসংগত আৰু সহজে তুলনীয় কৰাত সহায় কৰা। ইয়াৰ অধীনত হিচাপকৰণৰ মানদণ্ড আৰু অনুশীলনত সততা আনিবলৈ চেষ্টা কৰা হৈছে।

আই.এফ.আৰ.এছ.-ৰ দ্বাৰা এনে এক উমৈহতীয়া বিশ্বব্যাপী হিচাপকৰণৰ ভাষা সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে যাক বিনি য়োগকাৰী, হিচাপ নিৰিক্ষক, চৰকাৰী নিয়ন্ত্ৰক আৰু অন্যান্য আগ্ৰহী পক্ষই সহজে বুজিব পাৰে। আই.এফ.আৰ.এছ.-ৰ মানদণ্ডবোৰ আন্তৰ্জাতিক একাউণ্টিং মানক বোৰ্ডে (আই. এ.এছ.বি.) **(I.A.S.B.)** জাৰী কৰে। আই.এ.এছ.বি. হৈছে লণ্ডনস্থিত আই. এফ. আৰ. এছ. ফাউণ্ডেচনৰ এক গুৰুত্বপূৰ্ণ অংশ।

আই.এফ.আৰ.এছ.-ৰ উৎপত্তি হৈছিল ইউৰোপীয় ইউনিয়নত। ইয়াৰ মূল উদ্দেশ্য আছিল সমগ্ৰ মহাদেশত ব্যৱসায়িক বিষয় আৰু একাউণ্টসমূহ সকলোৰে বাবে সহজে উপলব্ধ কৰা। পিছত ইয়াক সমগ্ৰ বিশ্বত এক উমৈহতীয়া হিচাপকৰণৰ ভাষা হিচাপে গ্ৰহণ কৰা হয়।

**আই.এফ.আৰ.এছ.-ৰ প্ৰয়োজনীয়তা ঃ**

(১) আই.এফ.আৰ.এছ.-ৰ ব্যৱহাৰৰ দ্বাৰা আন্তৰ্জাতিক ক্ষেত্ৰত বিত্তীয় তথ্যৰ তুলনাযোগ্যতা আৰু ব্যৱসায়িক তথ্যৰ মানদণ্ড বৃদ্ধি কৰিছে।

(২) আই.এফ.আৰ.এছ.-ৰ সহায়ত বিনিয়োগকাৰীসকল আৰু অন্যান্য বিত্তীয় অংশগ্ৰহণকাৰীসকল অৰ্থনৈতিক সিদ্ধান্ত ল'বলৈ সক্ষম হৈছে।

(৩) এনে মানদণ্ডই কোম্পানীবোৰক তেওঁলোকৰ দ্বাৰা উপস্থাপন কৰা বিত্তীয় বিবৃতি আৰু অন্যান্য তথ্যৰ বিষয়ে মাজত বিশ্বাস আনিবলৈ সক্ষম হৈছে। এই বিশ্বাসৰ অবিহনে, লেনদেনসমূহ কমি গ'লহেঁতেন আৰু অৰ্থনীতিক ভেটি কম শক্তিশালী হ'লহেঁতেন।

(৪) আই.এফ.আৰ.এছ.-ৰ মানদণ্ডবোৰে বিশ্বজুৰি বিত্তীয় নিয়ন্ত্ৰকসকলৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(৫) আই.এফ.আৰ.এছ.-ৰ মানদণ্ডৰ সহায়ত বিনিয়োগকাৰীসকলে সুযোগ আৰু বিপদাশংকা চিনাক্ত কৰি অৰ্থনৈতিক দক্ষতা বৃদ্ধি কৰাত সহায় কৰে।

**ভাৰতত আই.এফ.আৰ.এছ.-ৰ একত্ৰীকৰণৰ প্ৰয়োজনীয়তা ঃ**

(১) আই.এফ.আৰ.এছ.-ৰ সহায়ত হিচাবকৰণৰ সৰ্বশ্ৰেষ্ঠ পদ্ধতিবোৰৰ বিষয় বুজা আৰু জ্ঞান আহৰণ কৰা।

(২) আই.এফ.আৰ.এছ.-ৰ মানদণ্ডৰ সহায়ত বিত্তীয় প্ৰতিবেদন/বিবৃতিবোৰ নিৰ্ভৰযোগ্য, তুলনীয় আৰু স্বচ্ছ কৰা।

(৩) সমগ্ৰ বিশ্বত বিত্তীয় হিচাবকৰণ আৰু বিত্তীয় প্ৰতিবেদন/বিবৃতি প্ৰস্তুত কৰা ব্যৱস্থা আই.এফ.আৰ. এছ. মানদণ্ডৰ অধীনত মানককৰণ কৰা।

## 2.7 **সামগ্ৰী আৰু সেৱা কৰ** (Goods and Service Tax (GST)

**(এক দেশ এক কৰ ব্যৱস্থা)**

জি.এছ.টি. হৈছে সামগ্ৰী আৰু সেৱাৰ উপভোগৰ ওপৰত আধাৰিত এক পৰোক্ষ কৰ ব্যৱস্থা। এই কৰৰ ব্যৱস্থা উৎপাদনৰ পৰা উপভোগ পৰ্যায়লৈকে সকলো স্তৰতে আৰোপ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। অৰ্থাৎ এই ব্যৱহাৰ অধীনত কেৱল মূল্য সংযোজনৰ ওপৰত কৰ আৰোপ কৰা হয় আৰু চূড়ান্ত উপভোক্তাই কৰৰ বোজা বহন কৰিবলগীয়া হয়। ব্যৱহাৰৰ ওপৰত গন্তব্য আধাৰিত কৰ ধাৰণাটোৱে বুজায় যে কৰ কৰ্তৃপক্ষই যোগানৰ স্থান আৰু ব্যৱহাৰৰ স্থানৰ ওপৰত নিৰ্ভৰ কৰি কৰ ব্যৱস্থা আৰোপ কৰে। জি.এছ.টি. হৈছে এক উমৈহতীয়া কৰ ব্যৱস্থা য'ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অংশীদাৰত্ব থাকে। জি.এছ.টি.ৰ চাৰিটা মুখ্য উপাদান আছে যিবোৰ হৈছে চি.জি.এছ.টি., এছ.জি.এছ.টি., আই,জি.এছ.টি. আৰু ইউ.টি.জি.এছ.টি.। চি.জি.এছ.টি. হৈছে কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ। তাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজহ সংগ্ৰহ কৰে। বৰ্তমান কেন্দ্ৰীয় কৰ যেনে— কেন্দ্ৰীয় আবকাৰী শুল্ক, অতিৰিক্ত আবকাৰী শুল্ক, বিশেষ আবকাৰী শুল্ক, কেন্দ্ৰীয় বিক্ৰী কৰ আদি চি.জি.এছ.টি.ৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ল। এছ. জি.এছ.টি.ৰ অৰ্থ হৈছে ৰাজ্য সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা। ইয়াৰ অধীনত ৰাজ্যখনৰ ৰাজহ সংগ্ৰহ হয়। বৰ্তমান জি.এছ.টি.ৰ সৈতে পূৰ্বৰ সকলো ৰাজ্যিক কৰ যেনে— ভেট, মনোৰঞ্জন কৰ, বিলাসী কৰ, প্ৰৱেশ কৰ আদি জি.এছ.টি.ৰ সৈতে একত্ৰিত কৰা হ'ল। ইউ.টি.জি.এছ.টি. হৈছে কেন্দ্ৰীয়শাসিত অঞ্চল সামগ্ৰী আৰু সেৱা কৰ। এই কৰ ব্যৱস্থা এছ.জি.এছ.টি.ৰ দৰে আৰোপ কৰা হয়। ইউ.টি.জি.এছ.টি.ৰ অধীনত কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৰাজহ সংগ্ৰহ কৰা হয়।

আই.জি.এছ.টি.ৰ অৰ্থ হৈছে একত্ৰিত সামগ্ৰী আৰু সেৱা কৰ। ইয়াৰ অধীনত সংগ্ৰহ কৰা ৰাজহ কেৱলমাত্ৰ নিৰ্ধাৰিত হাৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰে। এই কৰ বিভিন্ন সামগ্ৰী আৰু সেৱাৰ আন্তৰাজ্যিক স্থানান্তৰৰ ওপৰত আৰোপ কৰা হয়। সামগ্ৰী আৰু সেৱাৰ আমদানিও আই.জি. এছ.টি.ৰ অধীনত সামৰি লোৱা হৈছে। উদাহৰণ স্বৰূপে, যদি সামগ্ৰীবোৰ মধ্য প্ৰদেশৰ পৰা ৰাজস্থানলৈ স্থানান্তৰ কৰা হয় তেন্তে এনেধৰণৰ লেনদেনক আই.জি.এছ.টি.ৰ অধীনত সামৰি লোৱা হয়।

**সামগ্ৰী আৰু সেৱা কৰৰ বিশেষত্বসমূহ ঃ**

১। জি.এছ.টি. হৈছে সমগ্ৰ দেশতে প্ৰচলিত এক উমৈহতীয়া আইন আৰু প্ৰক্ৰিয়া যি একক প্ৰশাসনৰ অধীনত পৰিচালিত হয়।

২। জি.এছ.টি. হৈছে এক গন্তব্য আধাৰিত কৰ আৰু ইয়াক অন্তিম উপভোক্তাৰ দ্বাৰা সামগ্ৰী আৰু সেৱাৰ ব্যৱহাৰৰ সময়ত আৰোপ কৰা হয়।

৩। জি.এছ.টি. হৈছে সামগ্ৰী আৰু সেৱা দুয়োটাৰ ওপৰত এক ব্যাপক শুল্ক আৰু কৰ সংগ্ৰহৰ ব্যৱস্থা। ইয়াৰ অধীনত সামগ্ৰী আৰু সেৱা কৰ এক নিৰ্দিষ্ট হাৰত আৰোপ কৰা হয়।

৪। জি.এছ.টি.ৰ অধীনত নিম্নতম কৰৰ হাৰ দুভাগতকৈ অধিক নহয়।

৫। জি.এছ.টি.ত পুনৰ বিক্ৰী কৰ, অতিৰিক্ত কৰ, টাৰ্ণঅ'ভাৰ কৰ, ইত্যাদি আৰোপ কৰাৰ কোনো সুযোগ নাই।

৬। জি.এছ.টি.ত সামগ্ৰী আৰু সেৱাৰ ওপৰত কোনো একাধিক কৰ আৰোপ কৰাৰ ব্যৱস্থা নাই।

**সুবিধাসমূহ ঃ**

১। জি.এছ.টি. প্ৰৱৰ্তনৰ ফলত পূৰ্বৰ একাধিক প্ৰকাৰৰ কৰৰ বিলুপ্তি ঘটিছে।

২। জি.এছ.টি. ব্যৱস্থাৰ ফলত কৰ আধাৰ বৃদ্ধি, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৰাজহ বৃদ্ধি আৰু চৰকাৰৰ প্ৰশাসনিক ব্যয় হ্ৰাস হৈছে।

৩। জি.এছ.টি.য়ে অনুপালন ব্যয় হ্ৰাস কৰিছে আৰু স্বেচ্ছামূলক অনুপালন বৃদ্ধি কৰিছে।

৪। জি.এছ.টি.ৰ অধীনত সৰ্বাধিক দুই প্ৰকাৰৰ কৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে।

৫। জি.এছ.টি.য়ে কৰৰ ওপৰত কেচকেডিং প্ৰভাৱ আঁতৰ কৰিছে।

৬। জি.এছ.টি.ৰ ব্যৱস্থাৰ ফলত উৎপাদন আৰু বিতৰণ ব্যৱস্থা বৃদ্ধি হ'ব যাৰ দ্বাৰা সামগ্ৰী আৰু

সেৱাৰ উৎপাদনৰ ক্ষেত্ৰত ব্যয় সংকোচিত হ'ব আৰু ফলস্বৰূপে সামগ্ৰী আৰু সেৱাৰ চাহিদা আৰু উৎপাদন বৃদ্ধি পাব।

৭। অৱশেষত জি.এছ.টি. ব্যৱস্থাৰ ফলত অৰ্থনীতিৰ দক্ষতা আৰু বহনক্ষম দীৰ্ঘম্যাদী বৃদ্ধি পৰিলক্ষিত হ'ব। জি.এছ.টি. এক নিৰপেক্ষ কৰ ব্যৱস্থা। জি.এছ.টি. অৰ্থনৈতিক বিকাশৰ আৰ্হি, সাংগঠনিক গাঁথনি আৰু ভৌগোলিক অৱস্থান ইত্যাদিৰ ওপৰত নিৰ্ভৰ নকৰে।

৮। জি.এছ.টি.য়ে আন্তৰ্জাতিক বজাৰত প্ৰতিযোগিতামূলক দৃষ্টিভংগী সম্প্ৰসাৰিত কৰাত সহায় কৰিব। ফলস্বৰূপে দেশত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি বৃদ্ধি পাব।

**সামগ্ৰী আৰু সেৱা কৰৰ উদ্দেশ্যসমূহ ঃ**

সামগ্ৰী আৰু সেৱা কৰ (জি.এছ.টি.) হৈছে এক পৰোক্ষ কৰ। ই দেশৰ বেছিভাগ পৰোক্ষ কৰ ব্যৱস্থাক সলনি কৰিছে। ভাৰত চৰকাৰে চঞ্চৰজ্জনৰ ৰ জুলাইত এই কৰ প্ৰৱৰ্তন কৰিছিল। যেতিয়াই এটা সামগ্ৰী বা সেৱাত মূল্য সংযোজন কৰা হয় তেতিয়াই জি. এছ. টি. আৰোপ কৰা হয়। সামগ্ৰী আৰু সেৱা কৰ বিক্ৰীৰ প্ৰতিটো বিন্দুতে আৰোপ কৰা হয়।

**সামগ্ৰী আৰু সেৱা কৰৰ উদ্দেশ্যসমূহ হৈছে ঃ**

১। কৰসমূহৰ ব্যাপক প্ৰভাৱ আঁতৰ কৰা ঃ জি.এছ.টি.ৰ মৌলিক উদ্দেশ্য হৈছে কৰবোৰৰ ব্যাপক প্ৰভাৱ আঁতৰ কৰা। কৰৰ ব্যাপক প্ৰভাৱৰ অৰ্থ হৈছে কৰৰ ওপৰত কৰ আৰোপ কৰা। জি.এছ.টি. কেৱল মুঠ মূল্য সংযোজনৰ ওপৰতহে আৰোপ কৰা হয়, সমগ্ৰ মূল্যৰ বাবে নহয়। ই কৰ দাতাক ইনপুট কৰ ক্ৰেডিট উপভোগ কৰিবলৈ সহায় কৰে।

২। অন্যান্য পৰোক্ষ কৰৰ অন্তৰ্ভুক্তিকৰণ ঃ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা আৰোপ কৰা সকলো মুখ্য পৰোক্ষ কৰ (কেইটামানৰ বাহিৰে) জি.এছ.টি.ত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়েহে, বিভিন্ন আইনৰ অধীনত একাধিক পৰোক্ষ কৰ পৰিশোধ কৰাৰ বিষয়ে চিন্তা কৰাৰ কোনো প্ৰয়োজন নাই।

৩। কৰ ফাঁকি আৰু দুৰ্নীতি হ্ৰাস ঃ জি.এছ.টি.য়ে কৰ ফাঁকি নিয়ন্ত্ৰণ কৰাত আৰু কৰ বিভাগত দুৰ্নীতি হ্ৰাস কৰাত সহায় কৰিব। জি.এছ.টি. ব্যৱস্থাতত মিছা ইনপুট কৰ ক্ৰেডিট দাবী কৰাৰ সম্ভাৱনা নাইকীয়া কৰা হয়। ই ব্যৱস্থাৰ অধীনত পঞ্জীভুক্ত যোগানকৰ্তাই চৰকাৰক কৰ জমা কৰিলেহে ইনপুট কৰ ক্ৰেডিট দাবী কৰিব পাৰি।

৪। উৎপাদনশীলতা বৃদ্ধি ঃ পূৰ্বৱৰ্তী কৰ ব্যৱস্থাৰ অধীনত, ইনপুট কৰ ক্ৰেডিট দাবী সম্পৰ্কে লজিষ্টিক আৰু অব্যৱহাৰিক প্ৰক্ৰিয়া সম্পৰ্কীয় বহুতো বাধা আছিল। কেইখনমান ৰাজ্যত সামগ্ৰীৰ প্ৰৱেশৰ ক্ষেত্ৰত প্ৰৱেশ কৰ আৰোপ কৰা হৈছিল। জি.এছ.টি. ব্যৱস্থাৰ অধীনত, প্ৰৱেশ কৰ অন্তৰ্ভুক্ত কৰা হৈছে। চেক-পোষ্টবোৰ আঁতৰ হোৱাৰ বাবে ৰাজ্যিক সীমাত পৰীক্ষাৰ সংখ্যাও হ্ৰাস পাব। সেয়েহে, ই উৎপাদনশীলতা বৃদ্ধিত সহায় কৰিব।

৫। কৰ অনুপালন বৃদ্ধি ঃ কৰ দাতাই মুখ্যতঃ প্ৰয়োজনীয় ৰিটাৰ্ণ আৰু পঞ্জীয়নৰ সৈতে জি.এছ.টি. আইন পালন কৰিব লাগিব। বিভিন্ন ৰিটাৰ্ণ দাখিল কৰাৰ আৰু অনুপালনৰ বাবে বিভিন্ন পঞ্জীয়ন প্ৰাপ্ত কৰাৰ কোনো প্ৰয়োজন নাই।

৬। জিডিপি বৃদ্ধি ঃ জি.এছ.টি.ৰ অধীনত সামগ্ৰী আৰু সেৱাৰ মূল্য হ্ৰাস পায়। ইয়াৰ ফলত চাহিদা বৃদ্ধি পায়। চাহিদা বৃদ্ধি হোৱাৰ ফলত অধিক কৰ সংগ্ৰহ সম্ভৱ হয়। এনেদৰে জি.এছ.টি.ৰ ফলত জিডিপি বৃদ্ধি পায়।

৭। কৰ আধাৰ বৃদ্ধি ঃ জি.এছ.টি. ব্যৱস্থাৰ অধীনত, অধিক কৰ পৰিশোধকৰ্তাসকলক কৰ অধীনত আৱৰা হ'ব যাৰ ফলত চৰকাৰৰ বাবে কৰ আধাৰ আৰু কৰ ৰাজহ বৃদ্ধি কৰাত সহায় হ'ব।

৮। এক ৰাষ্ট্ৰ এক কৰ নীতি ব্যৱস্থা ঃ সামগ্ৰী অৰ্ব্যু সেৱা কৰত পূৰ্বৱৰ্তী সময়ত থকা একাধিক পৰোক্ষ কৰ সলনি কৰা হৈছে। সামগ্ৰী আৰু সেৱা কৰ একক আৰু নিৰপেক্ষ কৰৰ অধীনত পৰিচালিত হয়। এই ব্যৱস্থাত বিভিন্ন ৰাজ্যৰ কৰৰ হাৰত কোনো পাৰ্থক্য নাথাকে।


৯। ইনপুট কৰসমূহৰ এক নিৰ্বিঘ্ন ক্ৰেডিট প্ৰদান ঃ জি.এছ.টি. ব্যৱস্থাৰ পূৰ্বৰ কৰ ব্যৱস্থাত বহুতো প্ৰতিবন্ধকতা আৰু চৰ্ত আছিল। জি.এছ.টি.ত, ক্ৰছ-চেক্সনেল ক্ৰেডিট ব্যৱহাৰ কৰাৰ বাবে বহুত নিয়ম সৰল কৰা হৈছে। ইয়াৰ ফলত ইনপুট কৰ ক্ৰেডিট ব্যৱস্থা সহজ হৈছে।

১০। ব্যৱসায় কৰাৰ সহজতাত সহায় কৰে ঃ জি.এছ.টি.ৰ অধীনত অন লাইন প্ৰক্ৰিয়াটো ব্যৱসায় কৰাৰ সহজাতৰ নীতিৰ বাবে সহায়ক হয়।

১১। উন্নত লজিষ্টিক আৰু বিতৰণ প্ৰণালী প্ৰদান ঃ জি.এছ.টি.য়ে উন্নত লজিষ্টিক আৰু বিতৰণ প্ৰণালী প্ৰদান কৰে।

১২। এক উমৈহতীয়া বজাৰ প্ৰদান কৰে ঃ জি.এছ.টি.য়ে ভাৰতত এক অভিন্ন কৰ প্ৰণালীৰ সৈতে এক উমৈহতীয়া বজাৰ সৃষ্টি কৰাত সহায় কৰে আৰু এনেদৰে দেশত কৰ ফাঁকি নিয়ন্ত্ৰণ কৰে।

১৩। সামগ্ৰিক ব্যয় হ্ৰাস ঃ চৰকাৰে পূৰ্বৰ কৰ প্ৰণালীৰ অধীনত একাধিক নথি-পত্ৰৰ প্ৰয়োজনীয়তা হ্ৰাস কৰি এক একত্ৰিত কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। সামগ্ৰী আৰু সেৱা কৰৰ অধীনত ধাৰণা কৰা হৈছে যে জি.এছ.টি. প্ৰৱৰ্তনৰ ফলত কোম্পানীবোৰে এক সৰল কৰ দাখিল প্ৰক্ৰিয়া পাব যি তেওঁলোকৰ দক্ষতা উন্নত কৰিব আৰু ব্যৱসায়িক প্ৰক্ৰিয়াৰ সৈতে সম্পৰ্কিত সামগ্ৰিক ব্যয় হ্ৰাস কৰিব।


কৰৰ প্ৰকাৰ
পৰোক্ষ কৰ
প্ৰত্যক্ষ কৰ
আয় কৰ
কেন্দ্ৰীয় কৰ
সেৱা কৰ
আবকাৰী শুল্ক
কেন্দ্ৰীয় বিক্ৰী কৰ
সীমা শুল্ক
ৰাজ্যিক কৰ
ভেট
প্ৰৱেশ কৰ
অক্ট্ৰই (নগৰ প্ৰৱেশ কৰ)
বিলাস কৰ
জিএছটিলৈ সলনি কৰা হৈছে

### *এই অধ্যায়ত দিয়া কেইটিমান মূল শব্দ*

- ব্যয়
- সমতুল্য
- বাস্তৱিকতা
- উদ্দেশ্যধৰ্মীতা
- সামঞ্জস্য
- দ্বৈত দিশ
- ৰক্ষণশীলতা (সতৰ্কতা)
- অবিৰতভাৱে চলি থকা ব্যৱসায়
- তুলনা যোগ্যতা
- পূৰ্ণ প্ৰকাশ
- সাধাৰণভাৱে গ্ৰহণযোগ্য
- ৰাজহ্ আদায়
- কাৰ্যকৰী নিৰ্দেশক
- হিচাপকৰণৰ সময়কাল
- মুদ্ৰা পৰিমাপক
- হিচাপকৰণৰ ধাৰণা
- হিচাপকৰণৰ নীতি (GAAP)

*শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ (Summary with Reference to Learning objectives)*

১. *সাধাৰণতে গ্ৰহণযোগ্য হিচাপকৰণৰ নীতি (GAAP)*ঃ সাধাৰণতে গ্ৰহণযোগ্য হিচাপকৰণৰ নীতি হ'ল বিত্তীয় প্ৰতিবেদনৰ প্ৰস্তুত আৰু উপস্থাপনৰ ঐকতা আৰু ব্যৱসায়িক লেনদেনসমূহৰ নথিভুক্ত আৰু বিৱৰণীৰ সঙ্গতি ৰাখিবলৈ অৱলম্বন কৰা কিছুমান নিয়ম আৰু নিৰ্দেশক। এই নীতিবোৰ ধাৰণা আৰু প্ৰথা হিচাপেও উল্লেখ কৰিব পাৰি। ব্যৱহাৰিক দিশৰ পৰা নীতি, স্বতঃসিদ্ধ বিষয় (Postulates), প্ৰথা, পৰিৱৰ্তনমূলক নীতি, অনুমান ইত্যাদি শব্দবোৰ এটাৰ সলনি আনটো ব্যৱহাৰ কৰে আৰু এইবোৰ বৰ্তমানৰ কিতাপখন হিচাপকৰণৰ মূল ধাৰণা হিচাপে উল্লেখ কৰিছে।

২. *হিচাপকৰণৰ মূল ধাৰণা* ঃ হিচাপকৰণৰ মূল ধাৰণাবোৰ বিত্তীয় হিচাপকৰণৰ তত্ত্ব আৰু ব্যৱহাৰৰ মৌলিক ধাৰণা বা মূল অনুমান হিচাপে উল্লেখ কৰে আৰু হিচাপকৰণৰ কাৰ্যসমূহৰ মৌলিক নিয়ম।

৩. ***ব্যৱসায়ৰ অস্তিত্ব*** ঃ এই ধাৰণা অনুসৰি ব্যৱসায়টোৰ অস্তিত্ব মালিকৰ পৰা সম্পূৰ্ণ পৃথক। গতিকে হিচাপ কৰণৰ উদ্দেশ্যৰ পৰা ব্যৱসায় আৰু মালিকক দুটা পৃথক অস্তিত্ব হিচাপে ব্যৱহাৰ কৰে।

৪. ***মুদ্ৰা পৰিমাপক*** ঃ মুদ্ৰা পৰিমাপক ধাৰণাই ব্যৱসায়ৰ যিবোৰ লেনদেন মুদ্ৰাৰ দ্বাৰা জুখিব পাৰি তেনে ধৰণৰ লেনদেনবোৰহে হিচাপৰ বহীত লিখাৰ বিষয়ে উল্লেখ কৰে। লগতে লেনদেনৰ নথিসমূহ মুদ্ৰাৰ এককতহে ৰাখিব, শাৰীৰিক পৰিমাণত নহয়।

৫. ***অবিৰতভাৱে চলি থকা*** ঃ অবিৰত চলি থকা ধাৰণাই ব্যৱসায় এটা কম সময়ৰ পৰিৱৰ্তে অবিৰতভাৱে অনিৰ্দ্দিষ্ট সময়লৈ চলি থকাৰ কথা উল্লেখ কৰে।

৬. ***হিচাপৰ সময়কাল*** ঃ হিচাপৰ সময়কাল অনুসৰি এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ব্যৱসায়টোৰ বিত্তীয় বিবৃতি প্ৰস্তুত কৰি লাভ বা লোকচান নিৰ্ণয় কৰিব আৰু বছৰটোৰ শেষত দেনা আৰু সম্পত্তিৰ প্ৰকৃত অৱস্থা কি জানিব বিচাৰে।

৭. ***ব্যয় ধাৰণা*** ঃ ব্যয়ৰ ধাৰণা অনুসৰি সকলোবোৰ সম্পত্তি হিচাপৰ বহীত ক্ৰয় মূল্যত লিখিব যিটোৰ লগত ক্ৰয় কৰা মূল্য, পৰিৱহণ, স্থাপন আৰু সম্পত্তিটো ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ ব্যয় অন্তৰ্ভুক্ত হৈ থাকে।

৮. ***দ্বৈত দিশ*** ঃ এই ধাৰণা অনুসৰি প্ৰতিটো লেনদেনৰ বিভিন্ন হিচাপৰ ওপৰত দ্বৈত বা দুটা প্ৰভাৱ থাকে গতিকে ইয়াক দুটা স্থানত লিখিব লাগে। দ্বৈত-দিশৰ নীতি তলত দিয়া মৌলিক হিচাপ লিখনৰ সমীকৰণৰ দ্বাৰা প্ৰকাশ কৰা হয়-

সম্পত্তি = দেনা + মূলধন

৯. ***ৰাজহ স্বীকৃতি*** ঃ ৰাজহ হ'ল এটা ব্যৱসায়ৰ সামগ্ৰী বা সেৱা বিক্ৰীৰ পৰা হোৱা মুঠ নগদ প্ৰবাহ আৰু ইয়াক ব্যৱসায়ৰ সুত, মালিকানা (Royalty) আৰু লাভাংশ উৎপাদনত ব্যৱহাৰ কৰে। ৰাজহ স্বীকৃতি ধাৰনা অনুসৰি ব্যৱসায়িক লেনদেনৰ ৰাজহ এটা বৈধভাৱে যেতিয়া পাবলৈ থাকে তেতিয়া প্ৰাপ্তি হোৱা বুলি দেখুৱাব।

১০. ***সমতুল্য*** ঃ সমতুল্য ধাৰণাই হিচাপ লিখন ম্যাদৰ সময়ত হোৱা ব্যয় সেই সময়ৰ ৰাজহৰ সমতুল্য হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পৰা এইটো বুজিব পাৰি যে অৰ্জন কৰা ৰাজহ সেই একে হিচাপবৰ্ষৰ ৰাজহ আৰু ব্যয়ৰ পৰা হ'ব লাগিব।

১১. ***সম্পূৰ্ণ প্ৰকাশ*** ঃ এই ধাৰণা অনুসৰি ব্যৱসায় এটাৰ বিত্তীয় সফলতাৰ লগত জড়িত সকলো বাস্তৱ আৰু প্ৰাসঙ্গিক কাৰ্যসমূহ বিত্তিয় প্ৰতিবেদনত মন্তব্য সহকাৰে সম্পূৰ্ণভাৱে প্ৰকাশ কৰিব লাগে।

১২. ***সঙ্গতি*** ঃ এই ধাৰণা অনুসৰি ব্যৱসায় এটাই অনুসৰণ কৰা হিচাপকৰণৰ নিয়ম আৰু ব্যৱহাৰবোৰ সময়ভেদে একে আৰু দৃঢ় হ'ব লাগে যাতে ফলাফলসমূহ তুলনা কৰিব পাৰে। যেতিয়া একেধৰণৰ হিচাপকৰণৰ নীতি সমূহ বিভিন্ন ধৰণৰ ব্যৱসায়ে সময়ভেদে প্ৰয়োগ কৰে, তেতিয়া ব্যৱসায়টোৱে নিজৰ ভিতৰত অথবা আন ব্যৱসায়ৰ লগত তুলনা মূলক অধ্যয়ন সম্ভৱ কৰি তোলে।

১৩. ***ৰক্ষণশীলতা*** ঃ এই ধাৰণা অনুসৰি ব্যৱসায়ৰ লেনদেনবোৰ এনেধৰণে লিখিব লাগে যাতে লাভসমূহ বেছিকৈ নেদেখুৱায়। সকলো সম্ভাৱনীয় ক্ষতি হিচাপত ধৰিব লাগে কিন্তু অৰ্জন নকৰা সকলো লাভ বাদ দিব লাগে।

১৪. ***বাস্তৱিকতা*** ঃ এই ধাৰণাই হিচাপকৰণে বাস্তৱ ঘটনাৰ ওপৰত গুৰুত্ব দিয়াটো বিচাৰে। যিবোৰ বিষয়ে দূৰদৰ্শী বিনিয়োগকাৰী অথবা পাওনাদাৰ সকলৰ সিদ্ধান্তত প্ৰভাৱ পেলাব পাৰে, তেতিয়া ইয়াক বাস্তৱ বুলি ভৱা হয় আৰু বিত্তীয় বিবৃতিত দেখুওৱা হয়।

১৫. ***উদ্দেশ্যধৰ্মিতা*** ঃ এই ধাৰণা অনুসৰি হিচাপৰ লেনদেনসমূহ এনেদৰে লিখিব লাগে যাতে এইবোৰ হিচাপৰক্ষক বা আন ব্যক্তিৰ পক্ষপাতিতাৰ পৰা মুক্ত থাকিব লাগে।

১৬. ***হিচাপকৰণৰ পদ্ধতি*** ঃ ব্যৱসায়িক লেনদেনসমূহ লিখি ৰখাৰ দুটা পদ্ধতি আছে, দ্বি-প্ৰবিষ্টি পদ্ধতি আৰু এক-প্ৰবিষ্টি পদ্ধতি। দ্বি-প্ৰবিষ্টি পদ্ধতি অনুসৰি প্ৰতিটো লেনদেনৰ দুটা দিশৰ প্ৰভাৱ থাকে। আনহাতে এক-প্ৰবিষ্টি পদ্ধতিক অসম্পূৰ্ণ নথি হিচাপে জনা যায়।

১৭. ***হিচাপকৰণৰ ভিত্তি*** ঃ নগদ ভিত্তি আৰু উদ্ভুত ভিত্তি হিচাপকৰণৰ দুটা স্পষ্ট নিয়ম আছে। নগদ ভিত্তি অনুসৰি লেনদেনসমূহ যেতিয়া নগদ আদায় দিয়া হয় তেতিয়াহে লিখি ৰখা হয়। আনহাতে উদ্ভুত ভিত্তি অনুসৰি ৰাজহ বা ব্যয়সমূহ যেতিয়া সংঘটিত হয় তেতিয়াহে স্বীকৃতি দিয়ে প্ৰাপ্তি বা পৰিশোধৰ ওপৰত নহয়।

১৮. ***হিচাপকৰণৰ মানক*** ঃ হিচাপকৰণৰ মানকবোৰ হ'ল একেধৰণৰ আৰু সামঞ্জস্য থকা বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ হিচাপকৰণৰ নিয়ম আৰু ব্যৱহাৰৰ নিৰ্দেশক। এই মানক সমূহে প্ৰযোজ্য আইনৰ ব্যৱস্থা, অভ্যাস, ৰীতি আৰু ব্যৱসায়িক পৰিৱেশ চেৰাই যাব নোৱাৰে।

## *অনুশীলনী (Question for Practice)*

চমু উত্তৰ ঃ

১) হিচাপৰক্ষকৰ বাবে ব্যৱসায়ৰ অস্তিত্ব কিয় অবিৰতভাৱে চলি থকাটো প্ৰয়োজনীয়?

২) কেতিয়া ৰাজহ স্বীকৃত দিয়া হয়? সাধাৰণ নিয়মৰ ইয়াৰ কিবা ব্যতিক্ৰম আছে নেকি?

৩) হিচাপ কৰণৰ মূল সমীকৰণ কি?

৪) স্বীকৃত ধাৰণাই হিচাপ বৰ্ষৰ ভিতৰত লাভ বা ক্ষতি কৰিবলৈ গ্ৰাহকলৈ বাকীত পঠোৱা সামগ্ৰী বিক্ৰী হিচাপে অন্তৰ্ভুক্ত কৰে। তলত দিয়াবোৰৰ কোনটো অৱস্থা কেতিয়া এটা লেনদেন বিক্ৰীৰ পৰিমাণৰ লগত অন্তৰ্ভুক্ত কৰাৰ অভ্যাস কৰিব যেতিয়া সামগ্ৰী

ক) প্ৰেৰণ কৰে খ) চালান দিয়ে

গ) বিলিকৰে ঘ) পৰিশোধ কৰে

তোমাৰ উত্তৰৰ কাৰণ দৰ্শোৱা।

৫. তলৰ কৰ্ম তালিকা সম্পূৰ্ণ কৰা

১) যেতিয়া এটা ব্যৱসায়ে ভাবে যে কিছুমান দেনাদাৰে সময়মতে পইচা দিব নোৱাৰে, ইয়াক আমি সম্ভাৱনীয় ক্ষতি হিচাপে লৈ হিচাপ বহীত লিখিব লাগিব। এইটো এটা _______ ধাৰণাৰ উদাহৰণ।

২) _______ ধাৰণাৰ উদাহৰণেৰে ব্যৱসায় এটা ইয়াৰ মালিকৰ পৰা যে পৃথক আৰু প্ৰভেদ যোগ্য ইয়াক প্ৰমাণ কৰিব পাৰে।

৩) যিখিনি ব্যৱসায়ৰ আছে সেই খিনি ব্যৱসায়টোৱে আনক দিয়ে, এই সাময়িক ঘটনাক _______ ধাৰণা বুলি বৰ্ণনা কৰিব পাৰি।

৪) _______ ধাৰণা অনুসৰি যদি এটা বছৰত সৰল ৰৈখিক পদ্ধতি অনুসৰি অবক্ষয় ধাৰ্য কৰা হয়, তেতিয়া একেই পদ্ধতি অহা বছৰতো অনুসৰণ কৰিব।

৫) এটা ব্যৱসায় বেচিকৈ চাহিদা থকা মজুত ৰাখি থ'ব পাৰে। এতেকে, এই মজুতৰ বজাৰ মূল্য বৃদ্ধি হ'ব পাৰে। _______ বাবে সাধাৰণ হিচাপ কৰণৰ প্ৰক্ৰিয়াই ইয়াক উপেক্ষা কৰে।

৬) যদি এটা ব্যৱসায়ে সামগ্ৰীৰ বাবে আদেশ পায়, ইয়াক _______ হেতুকে বিক্ৰী পৰিমাণৰ লগত অন্তৰ্ভুক্ত নকৰিব।

৭) এটা ব্যৱসায়ৰ পৰিচালক বিশেষভাৱে অযোগ্য, কিন্তু ব্যৱসায়ৰ হিচপ ৰক্ষকে _______ ধাৰণা অনুসৰি ইয়াক হিচাপৰ বহী প্ৰস্তুত কৰাৰ সময়ত বিবেচনা নকৰে।

***দীঘলীয়া উত্তৰ ঃ***

১) হিচাপকৰণৰ ধাৰণা আৰু হিচাপকৰণৰ মানকক সাধাৰণতে বিত্তীয় হিচাপকৰণৰ মূল উপাদান হিচাবে বিবেচনা কৰা হয়। তোমাৰ মন্তব্য দিয়া।

২) বিত্তীয় বিৱৰণী প্ৰস্তুত কৰোতে সামঞ্জস্য ভিত্তি কিয় প্ৰয়োজনীয়? ব্যাখ্যা কৰা।

৩) 'আগতে লাভ আশা নকৰিবা, কিন্তু সকলোবোৰ লোকচানৰ ব্যৱস্থা কৰিবা' ধাৰণাৰ আলোচনা কৰা।

৪) সমতুল্য ধাৰণা কি? এটা ব্যৱসায়ে এই ধাৰণা কিয় অনুসৰণ কৰিব লাগে? আলোচনা কৰা।

৫) 'মুদ্ৰা পৰিমাপক ধাৰণা' বুলিলে কি বুজা? এটা বছৰৰ মুদ্ৰা মূল্যৰ লগত আন এটা বছৰৰ মুদ্ৰা মূল্য তুলনা কৰোতে কোনটো গুণে ইয়াত অসুবিধা দিব পাৰে?

## পৰিযোজনা কাৰ্য
## (Project Work)

*ব্যৱহাৰিক কাৰ্য (Activity-) 1*

ৰুচিকাৰ দেউতাক 'Friends Gifts' নামৰ উপহাৰ সামগ্ৰী বিক্ৰী কৰা ব্যৱসায়ী এজন মালিক। বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত ব্যৱসায়ৰ হিচাপ ৰক্ষক শ্ৰী গোৱেলৰ বেমাৰ হ'ল আৰু তেওঁ ছুটি ল'লে। ব্যৱসায়টো সম্প্ৰসাৰণৰ বাবে ৫ লাখ টকাৰ প্ৰয়োজন সেইবাবে বেংকত জমা দিবলৈ ৰুচিকাৰ দেউতাকৰ এই বিৱৰণীখন অতিকৈ প্ৰয়োজন হ'ল। ৰুচিকাই তাইৰ স্কুলত হিচাপ কৰণৰ অধ্যয়ন কৰি থকাৰ বাবে কামখিনি সম্পূৰ্ণ কৰিবলৈ আগবাঢ়ি আহিল। বেংকে হিচাপবোৰ পৰীক্ষা কৰাত এইটো ওলাই পৰিল যে কিছুবছৰৰআগতে ৭ লাখ টকা ক্ৰয় কৰা এটা ভৱনৰ মূল্য বৰ্তমান বজাৰ দৰত হিচাপৰ বহীত ২০ লাখ টকাত দেখুওৱা হৈছে। ঠিক একেদৰে, যোৱা বছৰৰ তুলনাত, মজুত সামগ্ৰী মূল্যায়নৰ পদ্ধতি সলনি হৈছে, যাৰ ফলত সামগ্ৰীৰ মূল্য ১৫ শতাংশ বৃদ্ধি হৈছে। লগতে, ৭০,০০০ টকাৰে ক্ৰয় কৰা ব্যক্তিগত কম্পিউটাৰ (অনুমানিক আয়ুস৫ বছৰ) মূল্য চলিত বছৰৰ লাভৰ বিপৰীতে দেখুওৱা হৈছে। ৰুচিকাই জমা দিয়া বিত্তীয় তথ্যসমূহ বেংকে মানি ল'ব নোৱাৰিলে। হিচাপকৰণৰ মূল ধাৰণাবোৰৰ ওপৰত সঙ্গতি ৰাখি বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰোতে ৰুচিকাই কৰা ভুলবোৰৰ বাবে পৰামৰ্শ দিয়া।

*ব্যৱহাৰিক কাৰ্য (Activity) 2*

এজন গ্ৰাহকে তেওঁক নিম্নমানৰ সামগ্ৰী যোগান দিয়াৰ বাবে ব্যৱসায়ীজনৰ ওপৰত এটা মোকৰ্দমা তৰিলে। এইটো জনা গ'ল যে আদালতৰ ৰায় গ্ৰাহকজনৰ সপক্ষে যাব আৰু ব্যৱসায়ীজনে ক্ষতিপূৰণ দিব লাগিব। কিন্তু ক্ষতিপূৰণৰ পৰিমাণ নিশ্চিতভাৱে জানিব পৰা নগ'ল। হিচাপ বৰ্ষৰ ইতিমধ্যে অন্ত পৰিল আৰু হিচাপৰ বহীসমূহ লাভ বা লোকচান নিৰ্ণয় কৰিবলৈ চুডান্ত কৰা হ'ল। ব্যৱসায়ৰ হিচাপৰক্ষক জনে ব্যৱসায়ীজনক সম্ভাব্য লোকচানৰ বাবে বিবেচনা নকৰিবলৈ পৰামৰ্শ দিলে কাৰণ পৰিমাণটো নিশ্চিত হোৱা নাই আৰু আদালতৰ চূড়ান্ত সিদ্ধান্ত এতিয়াও দিবলৈ বাকী আছে। তুমি ভাবা নেকি যে হিচাপৰক্ষক জনৰ মতামত শুদ্ধ হয়?

*তুমি কি বুজিলা কোৱা উত্তৰ ঃ ১*

1) (c) ২) (d) 3) (a) 4) (b)

*তুমি কি বুজিলা কোৱা উত্তৰ ঃ ২*

১) সমতুল্য
২) ৰক্ষণশীলতা
৩) ৰাজহৰ স্বীকৃতি
৪) সঙ্গতি
৫) উদ্দেশ্যজনিত

## হিচাপকৰণৰ মানক (Accounting Standard)

ICAI এ জাৰি কৰা হিচাপকৰণৰ মানক সমূহ তলত দেখুওৱা হ'ল-

AS 1 হিচাপকৰণৰ নীতি সমূহৰ প্ৰকাশ
AS 2 মজুত সামগ্ৰীৰ মূল্যায়ন
AS 3 নগদ প্ৰবাহ বিৱৰণী
AS 4 উদ্বৃত্ত পত্ৰ তাৰিখৰ পিছত হোৱা সম্ভাব্যতা আৰু ঘটনা
AS 5 বছৰটোৰ বাবে লাভ বা লোকচান, আগৰ বছৰৰ বিষয়সমূহ আৰু হিচাপ লিখন নীতিৰ পৰিৱৰ্তন
AS 6 অৱক্ষয় হিচাপকৰণ
AS 7 নিৰ্মাণ ব্যৱসায়
AS 8 গৱেষণা আৰু উন্নয়নৰ বাবে হিচাপলিখন
AS 9 ৰাজহ স্বীকৃত
AS 10 স্থায়ী সম্পত্তিৰ হিচাপকৰণ
AS 11 বৈদেশিক বিনিময় মূল্য পাৰ্থক্যৰ প্ৰভাৱসমূহ
AS 12 চৰকাৰী অনুদানৰ হিচাপকৰণ
AS 13 বিনিয়োগৰ বাবে হিচাপকৰণ
AS 14 একত্ৰীকৰণৰ হিচাপকৰণ
AS 15 নিয়োগকৰ্তাৰ বিত্তীয় প্ৰতিবেদনত কৰ্মচাৰী উপকাৰৰ হিচাপকৰণ
AS 16 ঋণ গ্ৰহণৰ ব্যয়
AS 17 খণ্ডৰ প্ৰতিবেদন (Segment Reporting)
AS 18 সম্পৰ্কিত পক্ষৰ প্ৰকাশ (Related Party Disclosures)
AS 19 পট্টা দিয়া/মহল দিয়া
AS 20 প্ৰতি অংশৰ উপাৰ্জন (Earning per share)
AS 21 একীকৃত বিত্তীয় বিবৃতি
AS 22 আয়কৰৰ বাবে হিচাপকৰণ
AS 23 একীকৃত বিত্তীয় বিবৃতিত জড়িত থকা বিনিয়োগৰ হিচাপকৰণ
AS 24 স্থগিতকৰণ কাৰ্য্য (Discontinuing Operation)
AS 25 অন্তঃকালীন বিত্তীয় প্ৰতিবেদন
AS 26 অস্পৰ্শনীয় সম্পদ
AS 27 যৌথ উদ্যোগৰ স্বাৰ্থৰ বিত্তীয় প্ৰতিবেদন
AS 28 সম্পত্তিৰ ক্ষতি (Impairment of Assets)
AS 29 ব্যৱস্থা, সম্ভাব্য দেনা আৰু সম্ভাব্য সম্পত্তি